# অন্বেষণ

একাদশ বছৰ ■ নৱম সংখ্যা ■ অক্ট'বৰ, ২০২৪




## বুটৰ বিষক্ৰিয়া

## বাংলাদেশ -অতীত আৰু বৰ্তমান



## চিপাহী বিদ্ৰোহ






আইজাৰ, ভূপাল



ঢেকীয়াখোৱা বৰনামঘৰ



ঈগলু



নতুন নালন্দা বিশ্ববিদ্যালয়

# অন্বেষণ

**একাদশ বছৰ, নৱম সংখ্যা, অক্ট'বৰ, ২০২৪ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **বুটৰ বিষক্ৰিয়া**
■ অভিজিত শৰ্মা বৰুৱা

৪ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **ভাৰতত প্ৰথম জাতীয়তাবাদৰ সূচনা**
■ নৱনীতা কলিতা

১২ **এজোপা গছৰ বিষাদ-কথা**
■ সিদ্ধাৰ্থ ৰাভা

১৩ **জোনবিল মেলা**
■ কৌস্তভ শৰ্মা

১৪ **ৰামধেনুৰ হাঁহি**

১৪ **মা**

১৪ **আমাৰ বাপুজী**
■ বিৰিখ শৰ্মাচাৰ্য্য

১৫ **বংগোপসাগৰ দেখিলোঁ**
■ উপাসনা চৌধুৰী

১৬ **মাউণ্ট এভাৰেষ্ট**
■ ধান্যাতা তামুলী

১৭ **পটুৱৈৰ টোকা**
■ প্ৰিয়াংশু প্ৰীতিশ শৰ্মা

১৮ **Stories from World Classics**
■ Madhusmita Devi

১৯ **Did You Know**
■ Bhaktimala Saikia

২০ **আইজাৰ**
■ অপৰ্ণা দেৱী

২১ **মাৰ্ক টোৱেইন**
■ নেহা বৰা

২৩ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৯ **বাংলাদেশ : অতীত আৰু বৰ্তমান**
■ প্ৰণীতা দেৱী

৩২ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৩ **ঈগলু**
■ বনানী ডেকা

৩৪ **আনে কি ভাবে তোমাক কিয় লাগে?**
■ কবিতা পাটগিৰি

৩৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৮ **চুড'কু**

৩৯ **নৱনিৰ্মিত নালন্দা বিশ্ববিদ্যালয়**
■ নিশা দেৱী

৪০ **কাছৰ দীৰ্ঘায়ুৰ ৰহস্য**
■ ৰাণু বুজৰবৰুৱা

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# বুটৰ বিষক্ৰিয়া

■ অভিজিত শৰ্মা বৰুৱা





মাজে মাজে বাতৰি কাকত বা আন প্ৰচাৰ মাধ্যমৰ যোগেদি বুটৰ বিষক্ৰিয়াৰ বিষয়ে আমি গম পাই থাকোঁ। অসমৰ বিভিন্ন ঠাইত কেতিয়াবা প্ৰসাদ হিচাপে বা আন প্ৰকাৰেও বুট খোৱাৰ পাছত বেছিভাগ লোক বিষক্ৰিয়াত আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হোৱাৰ খবৰ প্ৰচাৰ হৈ থাকে। কিন্তু বুট সঁচাকৈয়ে বিষাক্তনে? তেনেহ'লে দেখোন বুটক খাদ্য হিচাপে নিষিদ্ধ কৰিব লাগে। আনহাতে আন বহুতো লোকে বুট খায়েই থাকে আৰু বহু খাদ্যতো বুট ব্যৱহাৰ হৈ থাকে। সেইসকল লোক বুটৰ বিষক্ৰিয়াৰ দ্বাৰা আক্ৰান্ত নহয় কিয়? এইবোৰ কথা আলোচনা কৰাৰ প্ৰয়োজন আছে।

**বুটনো কি?**

বুট হ'ল এবিধ মাহজাতীয় খাদ্য। পৃথিৱীৰ প্ৰথম পৰ্য্যায়ৰ কৃষিৰ ভিতৰত বুটো অন্যতম। এতিয়াৰ পৰা প্ৰায় ৭,৫০০ বছৰ আগতেই মধ্যপ্ৰাচ্য, স্পেইন, উত্তৰ আফ্ৰিকা, ভাৰত আদি দেশত বুটৰ খেতি কৰা হৈছিল, আৰু বহুতো প্ৰাচীন সভ্যতাৰ লোকে বুটক খাদ্যৰূপে ব্যৱহাৰ কৰি আহিছিল। খাদ্য হিচাপে বুট এক উত্তম খাদ্য। এতিয়া গম পোৱা গৈছে যে বুটত তন্তু বা ফাইবাৰ আৰু প্ৰ'টিন যথেষ্ট পৰিমাণে থাকে। তদুপৰি ইয়াত আমাৰ শৰীৰৰ বাবে প্ৰয়োজনীয় কেইটামান প্ৰধান ভিটামিন আৰু খনিজ পদাৰ্থ থাকে। তন্তুযুক্ত খাদ্যৰ বাবে বুটে 'টাইপ-২ ডায়েবেটিছ' নিয়ন্ত্ৰণত ৰখাত সহায় কৰে। আনহাতে বুটে উচ্চ ৰক্তচাপত ভোগা মানুহৰ ৰক্তচাপ কমায় আৰু ই আমাৰ মগজু আৰু স্নায়ুতন্ত্ৰৰো উপকাৰ সাধে। বুটে ওজন কমোৱাত আৰু চুলি সৰা বন্ধ কৰাত সহায় কৰে। আনহাতে বুট মানুহৰ হজমশক্তি, হাড়ৰ গঠনৰ বাবেও ভাল।

**বুটৰ অপকাৰী দিশ**

বুটত কিছুমান বিষাক্ত আৰু সমস্যা সৃষ্টিকাৰী পদাৰ্থ থাকে। সেইবাবে ইয়াক সদায় এক পৰিমাণত খাব লাগে। সাধাৰণতে দৈনিক বা এবাৰতে ২৮ গ্ৰাম মান বুট খোৱাটো অপকাৰী নহয়। আনকি ৭০ গ্ৰাম পৰ্য্যন্ত বুট খালেও আমাৰ বিশেষ অপকাৰ নহয়। কিন্তু তাতকৈ বেছি পৰিমাণৰ বুট খালে পেট ফুলা, গেছ, বমি আদি হ'ব পাৰে। লগতে দেহত ইউৰিক এছিডো বাঢ়িব পাৰে। কেঁচা বুটত গ্লবুলিন (globulin), এলবুমিন (albumin) আৰু প্ৰলেমিন (prolamins) আদিৰ দৰে প্ৰটিন থাকে।

এইবোৰে মানুহৰ দেহত এলাৰ্জিৰ সৃষ্টি কৰিব পাৰে।

**বুট বিষাক্ত কেনেকৈ হয়?**

অসমত বিষাক্ত বুট মাহ খাই মাজে মাজে কিছু লোক আক্ৰান্ত হয়। এবাৰ এনে ঘটনাৰ পাছত বিজ্ঞানীসকলৰ পৰীক্ষাত ধৰা পৰিল যে সেই বুট মাহত 'অৰ্গেন' ফছফৰাছ' নামৰ এবিধ অতিমাত্ৰা বিষাক্ত কীটনাশক মিহলি হৈ আছিল। ১৯৬৫ চনত এই কীটনাশকবিধ আৱিষ্কাৰ কৰা হৈছিল। ই হ'ল বিশ্বৰ দ্বিতীয় প্ৰজন্মৰ কীটনাশক। এনেবোৰ কীটনাশকৰ সহায়ত শস্যৰ বীজ বহুদিনলৈ সংৰক্ষণ কৰিব পাৰি। অৰ্গেন' ফছফৰাছ যৌগবোৰ (Organo Phosphorus Compound—OPC) ভাৰতত বহুলভাৱে ব্যৱহাৰ কৰা হয়। সেইবোৰ মানুহৰ স্বাস্থ্যৰ বাবে বৰ হানিকাৰক। গতিকে সেইবোৰ যুদ্ধত আনটো পক্ষৰ বিৰুদ্ধে আৰু কেতিয়াবা উগ্ৰপন্থী সংগঠনবোৰেও ব্যৱহাৰ কৰে। জীৱদেহৰ বাবে অতি মাৰাত্মক এই যৌগবিধ জীৱ দেহত প্ৰবেশ কৰিলে মানুহৰ মৃত্যু পৰ্য্যন্ত হ'ব পাৰে। সেয়ে উন্নত দেশবোৰত এই অৰ্গেন' ফছফৰাছ গোত্ৰৰ সকলো কীটনাশক নিষিদ্ধ কৰা হৈছে। কিন্তু ভাৰত তথা অসমৰ দৰে ৰাজ্যত অৰ্গেন' ফছফৰাছ বা তেনে জাতীয় উপাদানেৰে গঠিত কীটনাশকবোৰ বিভিন্ন নামত বজাৰত বিক্ৰী হৈ আছে। এই গোত্ৰৰ অন্তৰ্ভুক্ত বিভিন্ন নামেৰে পৰিচিত কেইবিধমান কীটনাশক হ'ল — কুইনালফছ (Quinalphos), ফছফামিডন (Phosphamidon), মন'ক্ৰ'ট'ফছ (Monocrotophos), এচিফেটছ ক্ল'ৰ'পাইৰিফছ (Aciphates chlorpyriphos) আদি। তাৰে ভিতৰত এচিফেটছ ক্ল'ৰ'পাইৰিফছ (Aciphate chlorpyriphos) নামৰ কীটনাশকবিধ শোষণ কৰি বা চোবাই খাই কোনো খাদ্য অবক্ষয় কৰা কীটক নাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

এচিফেট সামান্য পৰিমাণত দেহলৈ গ'লে শৰীৰৰ কোনো অপকাৰ নহয়। কিন্তু যদি নিৰাপদ সীমাতকৈ দহ গুণমান বেছি পৰিমাণত সেয়া সেৱন কৰা যায়, তেন্তে ই দেহৰ বাবে ভীষণ অপকাৰী। আমি কিমান পৰিমাণৰ এচিফেট সেৱন কৰিছো, সেয়া সহজতে জানিব পৰা নাযায়। সেইবাবে ইউৰোপিয়ান ইউনিয়নে এতিয়াৰ পৰা প্ৰায় কুৰি বছৰ আগতেই খাদ্য বস্তুত এয়া নিষিদ্ধ কৰিছিল। কিন্তু ভাৰতত ইয়াৰ প্ৰচলন এতিয়াও চলি আছে।

অসমত এবাৰ বুটৰ বিষক্ৰিয়াৰ ঘটনাৰ পাছত তদন্ত কৰি গম পোৱা গৈছিল যে সেই বুট মাহখিনি বীজৰ বাবে সংৰক্ষণ কৰা হৈছিল। বীজ সংৰক্ষণৰ বাবে সাধাৰণতে উগ্ৰ কীটনাশক ব্যৱহাৰ কৰা হয়। সেই বুটখিনি সেৱন কৰাৰ পাছত কীটনাশকবোৰ তেওঁলোকৰ পেটলৈ গৈছিল আৰু তাৰ ফলত দেহৰ অভ্যন্তৰত মাৰাত্মক ক্ষতি হৈছিল।

**কেইটামান প্ৰয়োজনীয় কথা**

অসমত বুটৰ বিষক্ৰিয়াৰ বাবে সাধাৰণতে বুট সংৰক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা বিষাক্ত আৰু নিষিদ্ধ কীটনাশকক দায়ী কৰা হয়। বুটবোৰ যদি পুৰণি হৈ যায়, তেতিয়া বুটৰ ক্ষয় হয়, বিষাক্ত লক্ষণ বাঢ়ে আৰু কীটনাশকবিধ যদি নিষিদ্ধ আৰু অপকাৰী হয়, তেন্তে সময়ৰ লগে লগে সি অধিক বিষাক্ত হৈ উঠে। গতিকে পুৰণি বুটৰ বস্তাৰ বুট কেতিয়াও ব্যৱহাৰ কৰিব নালাগে। পাছে তাৰ লগতে আন কিছুমান দিশো নুই কৰিব নোৱাৰি। প্ৰসাদত ব্যৱহাৰ কৰা বুটখিনি খুব ভালকৈ ধুব লাগে। তেনে কৰিলে বুটৰ স্বাভাৱিক পাৰ্শ্বক্ৰিয়া আৰু তাত থকা কীটনাশকৰ নেতিবাচক ক্ৰিয়া যথেষ্ট কমে। তদুপৰি বুট প্ৰথমে ভালদৰে ধুই লৈহে তিয়াই থ'ব লাগে। এনে কৰিলে বুটৰ বাহিৰত লাগি থকা কীটনাশক বা সংৰক্ষক পদাৰ্থৰ প্ৰায়খিনি গুচি যায়। ভালদৰে নুধুলে সেই পদাৰ্থখিনি পানীত মিহলি হয় আৰু পানীৰ জৰিয়তে বুটৰ ভিতৰত প্ৰৱেশ কৰাৰ সম্ভাৱনা থাকে। আনহাতে খোৱা বুটৰ পৰিমাণ (এবাৰত ২৮ - ৭০ গ্ৰাম) বেছি হ'লেও আমি আগতে কোৱা ধৰণৰ গেছ, পেট ফুলা আৰু বমি হ'ব পাৰে। এই দিশসমূহত গুৰুত্ব দিলে অসমত নিশ্চয় বুট মাহৰ পৰা হোৱা বিষক্ৰিয়া ৰোধ কৰিব পৰা যাব। ❖

## অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ড গঠন

যোৱা ৮ ছেপ্টেম্বৰ তাৰিখে অসম চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ চনৰ অধীনত আনুষ্ঠানিকভাৱে 'অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ড' গঠন কৰে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ড, ২০২৪ আইনৰ দফা ৫(১)(১)ৰ অধীনত ১৯৬২ চনত গঠিত ছেবা আৰু ১৯৮৪ চনত গঠিত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰীকৰণ কৰি নতুনকৈ 'অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ড' (এএছএছইবি) গঠন কৰা হয়। নৱগঠিত শিক্ষা ব'ৰ্ডখনৰ অধ্যক্ষ হিচাপে পূৰ্বৰ ছেবাৰ অধ্যক্ষ অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া ৰমেশ চান্দ জৈনক আৰু উপাধ্যক্ষ হিচাপে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পূৰ্বৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাক নিযুক্তি দিয়া হৈছে। ২১ গৰাকী সদস্যবিশিষ্ট এই নৱগঠিত ব'ৰ্ডখনে এতিয়াৰ পৰা দ্বাদশ শ্ৰেণী পৰ্য্যন্ত সকলো পৰীক্ষা অনুষ্ঠিত কৰিব। নতুন শিক্ষা ব'ৰ্ডখনে সময়ৰ প্ৰাসংগিকতা তথা প্ৰয়োজনীয়তা অনুসৰি বিদ্যালয় শিক্ষাৰ বাবে বাস্তৱধৰ্মী ব্যৱস্থা গ্ৰহণ কৰিব।

## পেৰিছ পেৰালিম্পিক, ২০২৪ৰ সফল সামৰণি



যোৱা ২৮ আগষ্টৰ পৰা ৯ ছেপ্টেম্বৰলৈ অনুষ্ঠিত ১৭ সংখ্যক পেৰিছ পেৰালিম্পিক ক্ৰীড়া মহোৎসৱ ১৮৪ খন দেশৰ অংশগ্ৰহণেৰে সফলভাৱে সামৰণি পৰে। এই বৰ্ষৰ খেলত মুঠ ৪৪০০ গৰাকী খেলুৱৈয়ে ২২ বিধ খেলৰ ৫৪৯টা ইভেণ্টত প্ৰতিদ্বন্দ্বিতা আগ বঢ়ায়। পেৰিছ পেৰালিম্পিকত ভাৰতে ৭টা স্বৰ্ণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদক লাভ কৰে। ৯৫টা স্বৰ্ণ, ৭৫টা ৰূপ আৰু ৫২টা ব্ৰঞ্জসহ মুঠ ২২২টা পদক লাভ কৰি চীনে প্ৰতিযোগিতাখনত শীৰ্ষস্থান দখল কৰে। ৪৯টা স্বৰ্ণসহ মুঠ ১২৪টা পদক লাভ কৰি ইংলণ্ডে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে ৩৬টা স্বৰ্ণসহ মুঠ ১৫০টা পদক লাভ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই তৃতীয় স্থান লাভ কৰে।

## অলিম্পিক কাউন্সিল অৱ এছিয়াৰ প্ৰথম ভাৰতীয় সভাপতি ৰণধীৰ সিং



জ্যেষ্ঠ ভাৰতীয় ক্ৰীড়া সংগঠক-প্ৰশাসক ৭৮ বছৰীয়া ৰণধীৰ সিঙে যোৱা ৮ ছেপ্টেম্বৰ তাৰিখে অলিম্পিক কাউন্সিল অৱ এছিয়াৰ প্ৰথমগৰাকী ভাৰতীয় সভাপতি হিচাপে নিযুক্তি লাভ কৰে। অলিম্পিক কাউন্সিল অৱ এছিয়াৰ ৪৪ সংখ্যক সাধাৰণ সভাত ক্ৰীড়াবিদ (শ্বুটাৰ) ৰণধীৰ সিঙক অনুষ্ঠানটোৰ প্ৰথমগৰাকী ভাৰতীয় সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। পাঁচবাৰৰ অলিম্পিয়ান তথা সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা ৰণধীৰ সিং ২০২৪ৰ পৰা ২০২৮ চনলৈ এই পদত বাহাল থাকিব। ২০২১ চনৰ পৰা কাৰ্য্যকৰী সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰা ৰণধীৰ সিঙে বিদায়ী সভাপতি কুৱেইটৰ শ্বেইখ ফাহাদ ছাবাহৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰে। ২০০১ চনৰ পৰা ২০১৪ চনলৈ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিৰ সদস্য হিচাপে দায়িত্ব বহন কৰা ক্ৰীড়া প্ৰশাসকগৰাকীক এছিয়া মহাদেশৰ ৪৫ খন দেশৰ প্ৰতিনিধিয়ে নিৰ্বাচিত কৰে। পঞ্জাবৰ পাটীয়ালাত জন্মগ্ৰহণ কৰা তথা এছিয়ান গেমছকে ধৰি বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰি দেশলৈ সুনাম কঢ়িয়াই অনা ৰণধীৰ সিঙৰ নেতৃত্বত মহদেশখনত ক্ৰীড়াৰ ক্ষিপ্ৰ বিকাশ সাধন হ'ব বুলি আশা কৰা হৈছে।

## দিল্লীৰ নতুন মুখ্যমন্ত্ৰী আতিশী মাৰ্লেনা



যোৱা ২৯ ছেপ্টেম্বৰ তাৰিখে ৪৩ বছৰীয়া আম আদমী পাৰ্টিৰ নেত্ৰী আতিশী মাৰ্লেনাই দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। দিল্লীৰ উপ-ৰাজ্যপাল ভিকে ছাক্সেনাই 'ৰাজ নিবাস'ত মুখ্যমন্ত্ৰী আতিশীকে ধৰি মন্ত্ৰীসভাৰ আন পাঁচগৰাকী মন্ত্ৰীক দায়িত্ব আৰু

গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। সুষমা স্বৰাজ আৰু শীলা দীক্ষিতৰ পাছত আতিশী হৈছে দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰা তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী। দেশৰ ইতিহাসত আতিশী মাৰ্লেনা হৈছে ১৭ সংখ্যক মহিলা মুখ্যমন্ত্ৰী। যোৱা ১৭ ছেপ্টেম্বৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদত্যাগ কৰাৰ পাছত শাসকীয় আম আদমী পাৰ্টিয়ে আতিশীক নতুন মুখ্যমন্ত্ৰী হিচাপে মনোনীত কৰিছিল। দিল্লী কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত থকা সুকীয়া নিয়মৰ আধাৰত ২০ ছেপ্টেম্বৰত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আপ নেত্ৰী আতিশীক মুখ্যমন্ত্ৰীৰূপে নিযুক্তি দিয়ে। ৪৩ বছৰীয়া আতিশীয়ে দিল্লীত শিক্ষা গ্ৰহণ কৰাৰ পাছত অক্সফʼৰ্ড বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ৰাজনীতিত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহত দিল্লী বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হʼব আৰু এই নিৰ্বাচনত জয়লাভ নকৰা পৰ্যন্ত অৰবিন্দ কেজৰিয়ালে মুখ্যমন্ত্ৰীৰ দায়িত্বৰ পৰা আঁতৰি থাকিব বুলি ঘোষণা কৰে।

## অসম ফুটবলৰ মহীৰুহ তচেন বড়াৰ দেহাৰসান

দুভৰিৰ যাদুৰে বিশ্বৰ বিভিন্ন প্ৰান্তত শত-সহস্ৰ দৰ্শকক মোহাচ্ছন্ন কৰিবলৈ সক্ষম হোৱা অসম ফুটবলৰ মহীৰুহ স্বৰূপ প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ তচেন বড়াৰ যোৱা ১৪ ছেপ্টেম্বৰ তাৰিখে ৭৫ বছৰ বয়সত দেহাৰসান ঘটে। ১৯৪৯ চনত নাহৰকটীয়াত জন্মলাভ কৰা তচেন বড়াই স্কুলীয়া শিক্ষা নাহৰকটীয়াতে সমাপ্ত কৰি ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। ১৯৭২ চনত ৰেংগুনত অনুষ্ঠিত প্ৰাক্-অলিম্পিক খেলত ভাৰতীয় জাতীয় ফুটবল দলক প্ৰতিনিধিত্ব কৰা প্ৰথমজন অসমীয়া ফুটবল খেলুৱৈৰূপে পৰিগণিত বড়াই বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় পৰ্য্যায়ত দুভৰিৰ যাদুৰে অগণিত দৰ্শকক পুলকিত কৰিবলৈ সক্ষম হৈছিল। ১৮৬৫ চনত অসম দলৰ হৈ ছোভিয়েট দলৰ বিৰুদ্ধে খেলাৰ সুযোগ লাভ কৰা বড়া ১৯৬৯ চনৰ পৰা ১৯৭২ চনলৈ অসম ফুটবল দলৰ অধিনায়কৰ দায়িত্ব পালন কৰিছিল। এগৰাকী ৰাষ্ট্ৰীয় প্ৰশিক্ষকৰূপেও সুপৰিচিত বড়াই ১৯৭৫ চনৰ পৰা ১৯৭৯ চনলৈ ভাৰতীয় জুনিয়ৰ ফুটবল দলৰ সদস্যৰূপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। প্ৰচণ্ড আত্মবিশ্বাসী, দৃঢ় মানসিকতাৰ অধিকাৰী তথা নামৰূপ বিভিএফচিৰ জনসম্পৰ্কৰক্ষী বিষয়া (প্ৰাক্তন) বড়াই গুৱাহাটী বিশ্ববিদ্যালয় ফুটবল দলৰ অধিনায়ক হিচাপে ১৯৭১ চনত পূব মণ্ডল চেম্পিয়নশ্বিপ আৰু সৰ্বভাৰতীয় আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত ৰাণাৰ্চ-আপ খিতাপ অৰ্জন কৰিছিল। জাৰ্মানী, ৰাছিয়া, থাইলেণ্ড, ইণ্ডোনেছিয়া, ম্যানমাৰ আদি দেশত ভাৰতীয় জাতীয় দলৰ হৈ অংশগ্ৰহণ কৰা খেলুৱৈগৰাকীয়ে ২০০৯ চনত নামৰূপ সাৰ কাৰখানাৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। হাজাৰ হাজাৰ লোকৰ উপস্থিতিত সম্পূৰ্ণ ৰাজ্যিক মৰ্য্যাদাৰে নাহৰকটীয়া ৰাঙলী পথাৰত খেলুৱৈগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে



যোৱা ২১ ছেপ্টেম্বৰত অনুষ্ঠিত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত মাৰ্ক্সবাদী নেতা তথা নেছনেল পিপলছ পাৰ্টিৰ (এনপিপি) নেতা অনুৰা কুমাৰা দিশানায়কে ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। মুঠ ৩৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হোৱা এই সাধাৰণ নিৰ্বাচনত ৫৬ বছৰীয়া দিশানায়কে ৪২.৩১ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে বিৰোধী প্ৰাৰ্থী ছজিথ প্ৰেমদাশাই ৩২.৮ শতাংশ ভোট লাভ কৰে। তদুপৰি এই নিৰ্বাচনত বিদায়ী ৰাষ্ট্ৰপতি ৰনিল ৰিক্ৰমাসিংঘই মাত্ৰ ১৭.২৭ শতাংশ ভোটহে লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে বহুচৰ্চিত এই বৰ্ষৰ নিৰ্বাচনত ৭৫ শতাংশ লোকে ভোটাধিকাৰ সাব্যস্ত কৰি প্ৰগতিশীল নেতাজনক বিজয়ী কৰে। যোৱা ২০১৯ বৰ্ষৰ নিৰ্বাচনত বিজয়ী বাঁওপন্থী দলটোৱে মাত্ৰ ৩ শতাংশ ভোটহে লাভ কৰিবলৈ সমৰ্থ হৈছিল। অনুৰা দিশানায়কে

হৈছে শ্ৰীলংকাৰ নৱম সংখ্যক ৰাষ্ট্ৰপতি। ২০২২ বৰ্ষৰ তীব্ৰ অৰ্থনৈতিক মন্দাৱস্থাৰ পাছত দেশখনত অনুষ্ঠিত এই নিৰ্বাচনত জয়ী নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে অৰ্থনীতি কিদৰে ন ৰূপত গঢ়িবলৈ সক্ষম হ'ব সেয়া আন্তৰ্জাতিক ৰাজনৈতিক মহলত সৰব চৰ্চা হৈছে।

## এছিয়ান হকী চেম্পিয়নছ ট্ৰফীত চেম্পিয়ন ভাৰত



যোৱা ১৭ ছেপ্টেম্বৰত চীনত অনুষ্ঠিত এছিয়ান হকী চেম্পিয়নশ্বিপত চীন দেশক পৰাজিত কৰি ভাৰতে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। চীনৰ হুলুনবুইৰত অনুষ্ঠিত ফাইনেল খেলখনত ভাৰতে চিৰ প্ৰতিদ্বন্দ্বী চীনক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি পঞ্চমবাৰলৈ চেম্পিয়নৰ খিতাপ লাভ কৰে। এই প্ৰতিযোগিতাখনত সকলো লীগ খেলতে ভাৰতে বিজয় সাব্যস্ত কৰে আৰু ছেমি ফাইনেল মেচত শক্তিশালী দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত উপনীত হয়। উল্লেখযোগ্য যে এই বৰ্ষৰ প্ৰতিযোগিতাখনত ভাৰতৰ হৰমনপ্ৰীত নেতৃত্বাধীন দলটোৱে পাকিস্তান, জাপান, মালয়েছিয়াকে ধৰি সকলো দলকে খেলত পৰাজিত কৰি চেম্পিয়ন ট্ৰফী লাভ কৰিবলৈ সক্ষম হয়। ফাইনেল মেচখনত ভাৰতৰ যুগৰাজ সিঙে একমাত্ৰ নিৰ্ণায়ক গ'লটো দি ভাৰতক পঞ্চমবাৰৰ বাবে খিতাপ লাভত সমৰ্থ কৰি তোলে। পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় হকী দলটোৰ এই চমকপ্ৰদ বিজয়ত সন্তুষ্ট হৈ হকী ইণ্ডিয়াই বিজয়ী দলৰ সকলো সদস্যকে তিনি লাখ টকাকৈ পুৰস্কাৰ প্ৰদান কৰে।

## ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় উদ্বোধন

যোৱা ৬ ছেপ্টেম্বৰ তাৰিখে ডিব্ৰুগড় জিলাৰ মাইজানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ সচিবালয় কাৰ্য্যালয়ৰ শুভ উদ্বোধন কৰে। সচিবালয়ৰ সম্প্ৰসাৰিত এই কাৰ্য্যালয়টোৱে উজনি অসমৰ ৯খন জিলা ক্ৰমে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী, চৰাইদেউ, ধেমাজি আৰু লখিমপুৰ জিলাক সামৰি ল'ব। ৯খন জিলাৰ মুঠ প্ৰায় ২২ হাজাৰ বৰ্গ কিমি. অঞ্চলৰ প্ৰায় ৮০ লাখ লোকক সামৰি লোৱা এই নৱ স্থাপিত কাৰ্য্যালয়টোৰ পৰা মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতি মাহত চাৰিদিন উপস্থিত থাকি সেৱা আগ বঢ়াব। ২০২৩ বৰ্ষৰ ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি এই সচিবালয়টো স্থাপন কৰা হৈছে আৰু ৰাজধানী দিছপুৰৰ সচিবালয়ৰ সৈতে সকলো সময়তে তথ্য-প্ৰযুক্তিৰে সংলগ্ন হৈ থাকিব। পৰৱৰ্তী সময়ত মুখ্য সচিব, অন্য মন্ত্ৰী তথা অসম সচিবালয়ৰ এটা কাৰ্য্যালয়ো একেলগে স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন গুৱাহাটীত আৰু ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসৰ চৰকাৰী কাৰ্য্যসূচী আৰু পতাকা উত্তোলন ডিব্ৰুগড়ত কৰিব বুলি ঘোষণা কৰে। ৯খন জিলাত থকা কেইবাখনো বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, মহাবিদ্যালয় তথা কেইবাটাও বৃহৎ উদ্যোগ, অসংখ্য চাহ বাগিচা আদিৰ সকলো কাম-কাজ এই কাৰ্য্যালয়টোৰ পৰা সুকলমে কৰিব পাৰিব বুলি আশা কৰা হৈছে।

## অসমীয়া গ্ৰাম'ফোন ৰেকৰ্ডৰ শতবৰ্ষ



যোৱা ২৭ ছেপ্টেম্বৰ তাৰিখে বৰ্ণিল ইতিহাস বুকুত লৈ অসমীয়া গ্ৰাম'ফোন ৰেকৰ্ডে শতবৰ্ষ গৰকিবলৈ সক্ষম হয়। ১৯২৪ চনৰ ছেপ্টেম্বৰ মাহত কলিকতাত এইচএমভি (হিজ মাষ্টাৰ্ছ ভইচ) ষ্টুডিঅ'ত

গায়ক প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত প্ৰথম অসমীয়া আধুনিক গীত বাণীবদ্ধ কৰা হৈছিল। আধুনিক অসমীয়া সংগীতক অনন্য মাত্ৰা প্ৰদান কৰা গ্ৰাম'ফোন ৰেকৰ্ডত প্ৰথম বাণীবদ্ধ অসমীয়া গীত চাৰিটা হৈছে—ফুলো ফুলিলে জোনায়ো হাঁহিলে, হৃদয় বিদাৰি উঠে শত বেদনাৰে, কিয়নো পাহৰা অসমীয়া আৰু অসম নিৰুপমা জননী। উল্লেখযোগ্য যে বাংলা ভাষাত গীত ৰেকৰ্ডিং কৰা এইচএমভিক অসমীয়া এটা স্বাধীন ভাষা বুলি প্ৰফুল্ল চন্দ্ৰ বৰুৱাই পতিয়ন নিয়াবলৈ সক্ষম হোৱাৰ পাছতহে ষ্টুডিঅ'টোত অসমীয়া গীত বাণীবদ্ধ কৰিবলৈ সন্মত হৈছিল। সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱাৰ পুত্ৰ প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই 'সংগীত কোষ' আৰু 'সংগীত সাধনা' নামৰ দুখন সংগীত বিষয়ৰ গ্ৰন্থৰ জৰিয়তেও অসমীয়া গীত যে বাংলা গীতৰ তুলনাত কোনোগুণে কম নহয় তাক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। অসমীয়া আধুনিক গীতৰ ভেটি নিৰ্মাণত বিশেষ ভূমিকা পালন কৰা এইগৰাকী মহীৰুহক শ্ৰদ্ধা জনাবৰ বাবে প্ৰথম অসমীয়া গ্ৰাম'ফোন গীতৰ শতবৰ্ষ অনুষ্ঠান সমগ্ৰ ৰাজ্যতে বছৰজোৰা কাৰ্য্যসূচীৰে পালন কৰিবলৈ পৰিকল্পনা কৰা হৈছে। শতবৰ্ষ উদ্‌যাপন সমিতিৰ উদ্যোগত ২৭ ছেপ্টেম্বৰ তাৰিখে গুৱাহাটীত অসমীয়া গ্ৰাম'ফোন ৰেকৰ্ডৰ শতবৰ্ষ অনুষ্ঠান বৰ্ণাঢ্য কাৰ্য্যসূচীৰে শুভাৰম্ভ কৰা হয়।

## প্ৰধানমন্ত্ৰী মোডীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ



যোৱা ২১ ছেপ্টেম্বৰ তাৰিখে তিনিদিনীয়া ভ্ৰমণসূচী লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হয়। ২২ ছেপ্টেম্বৰ তাৰিখে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ গৃহ চহৰ উইলমিংটন মহানগৰীত চাৰি ৰাষ্ট্ৰ ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ, ভাৰত, জাপান আৰু অষ্ট্ৰেলিয়াৰ সদস্যভুক্ত 'কোৱাড' শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী মোডীয়ে অংশগ্ৰহণ কৰে। এই সভাত বিভিন্ন বিষয় পৰীক্ষা-নিৰীক্ষা কৰিবলৈ ৭.৫ নিযুত মাৰ্কিন ডলাৰ অৰ্থ ব্যয় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। 'কোৱাড' শীৰ্ষ সন্মিলনৰ সামৰণিৰ পাছত প্ৰধানমন্ত্ৰী মোডী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ মাজত দ্বিপাক্ষিক ৰুদ্ধদ্বাৰ বৈঠক অনুষ্ঠিত হয়। এই ৰুদ্ধদ্বাৰ বৈঠকত দুয়োখন দেশৰ মাজত ২০২৫ চনত নাছা আৰু ইছৰোৰ যুটীয়া মহাকাশ অভিযান সন্দৰ্ভত চুক্তি সম্পাদন কৰা হয়। তদুপৰি প্ৰতিৰক্ষা, সমবায়, চিকিৎসা সেৱা, উদ্যোগ-বাণিজ্য, আণৱিক শক্তি আদি বিষয়তো দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰা হয়। উক্ত বৈঠকতে ভাৰতৰ পৰা চোৰাংভাৱে লৈ যোৱা ২৯৭বিধ বুৰঞ্জী-পুৰাতত্ত্ব সম্বন্ধীয় ঐতিহাসিক সমল আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনে প্ৰধানমন্ত্ৰী মোডীক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতক (ভাৰতৰ দাবীক) সমৰ্থন কৰিব বুলি ৰাষ্ট্ৰপতি বাইডেনে ঘোষণা কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি অষ্ট্ৰেলিয়া, জাপান, নেপাল, পেলেষ্টাইন, ইউক্ৰেইন, ভিয়েটনাম আদি দেশৰ মুৰব্বীসকলৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰী মোডী গুগল, আইবিএম, এবোড, ভেৰিজন আদি বিভিন্ন আগশাৰীৰ কোম্পানীৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ (চিইঅ) লগত আলোচনাত মিলিত হয় আৰু সকলো কোম্পানীকে ভাৰতত বিনিয়োগ কৰিবৰ বাবে আহ্বান জনায়। ২৩ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী মোডীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ 'ভৱিষ্যতৰ শীৰ্ষ সন্মিলন' শীৰ্ষক সাধাৰণ সভাত অংশগ্ৰহণ কৰি দিয়া ভাষণত যুদ্ধৰ পৰিবৰ্তে সামূহিক ইচ্ছা শক্তিয়েহে মানৱতাৰ বিজয় সাব্যস্ত কৰিব পাৰিব বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰীগৰাকীৰ ভাষণৰ পাছতে জি-২০ত আফ্ৰিকান ইউনিয়নৰ অন্তৰ্ভুক্তি, বহনক্ষম উন্নয়ন, আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, যুৱ আৰু ভৱিষ্যৎ প্ৰজন্ম আদি গুৰুত্বপূৰ্ণ বিষয়ত ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ সকলোৰে সন্মতি প্ৰদান কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ আগষ্ট, ২০২৪ ৰ পৰা ২০ ছেপ্টেম্বৰ, ২০২৪লৈ)**

২১ **আগষ্ট :** চন্দ্ৰযান-৪ সাজু বুলি ইছৰোৰ অধ্যক্ষ এছ সোমনাথে ঘোষণা কৰে।

২২ **আগষ্ট :** ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে বিখ্যাত জীৱবিজ্ঞানী গোবিন্দৰাজন পদ্মনাভনক ভাৰতৰ শ্ৰেষ্ঠ বিজ্ঞান বঁটা 'বিজ্ঞান ৰত্ন' প্ৰদান কৰে।

২৩ **আগষ্ট :** লুছানেত অনুষ্ঠিত ডায়মণ্ড লীগ প্ৰতিযোগিতাত জেভেলিন থ্ৰ'ত নীৰজ চোপ্ৰাই ৮৯.৪৯ মিটাৰেৰে ৰূপৰ পদক অৰ্জন কৰে।

২৪ **আগষ্ট :** বিজেপি দলৰ নেতা ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হয়।

২৫ **আগষ্ট :** ভাৰতৰ তনভী পাত্ৰীয়ে ১৫-অনূৰ্ধ্ব এছিয়ান বেডমিণ্টন প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ দখল কৰে।

২৬ **আগষ্ট :** ইউপিআইৰ নিচিনা 'ইউনিফাইড লেণ্ডিং ইণ্টাৰফেচ' (ULI) ব্যৱস্থা প্ৰবৰ্তন কৰিব বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ শক্তিকান্ত দাসে ঘোষণা কৰে।

২৭ **আগষ্ট :** বিচিচিআইৰ সচিব ৩৫ বছৰীয়া জয় শ্বাহ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ (আইচিচি) অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়।

৩১ **আগষ্ট :** ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ৭৫ বছৰীয়া জয়ন্তী সমগ্ৰ দেশতে উলহ-মালহেৰে পালন কৰা হয়।

২ **ছেপ্টেম্বৰ :** ভি সতীশ কুমাৰে ভাৰতীয় তেল নিগমৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

২ **ছেপ্টেম্বৰ :** কোনো অভিযুক্ত লোকৰ ঘৰ বুলডজাৰেৰে ভাঙি দিয়াটো আইনসন্মত নহয় বুলি উচ্চতম ন্যায়ালয়ে ৰায়দান কৰে।

৪ **ছেপ্টেম্বৰ :** ইৰানে ৬০ কিল'গ্ৰাম ওজনৰ ছমৰান-১ নামৰ কৃত্ৰিম উপগ্ৰহ মহাকাশত সফলতাৰে (৫৫০ কিমি. উচ্চতাৰ কক্ষপথত) সংস্থাপন কৰে।

৬ **ছেপ্টেম্বৰ :** অলংকৃতা বৰা অভিনীত 'তাৰা এণ্ড আকাশ' টৰণ্টো আন্তঃৰাষ্ট্ৰীয় বোলছবি মহোৎসৱলৈ (হিন্দী আৰু ইংৰাজী ভাষাৰ) নিৰ্বাচিত হয়।

৮ **ছেপ্টেম্বৰ :** আবদেলমজিদ টেবাউন্স আলজেৰিয়াৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়।

১০ **ছেপ্টেম্বৰ :** শিশুসকলে সামাজিক মাধ্যম (ছ'চিয়েল মিডিয়া) ব্যৱহাৰ কৰিব নোৱাৰিব বুলি অষ্ট্ৰেলিয়াৰ চৰকাৰে ঘোষণা কৰে।

১১ **ছেপ্টেম্বৰ :** জ্ঞানপীঠ বঁটা বিজয়ী নীলমণি ফুকনৰ কবিতাৰ নীৰেন্দ্ৰনাথ ঠাকুৰীয়া আৰু বিনোদ কুমাৰ গগৈয়ে ক্ৰমে ইংৰাজী আৰু স্পেনিছ ভাষাত কৰা অনুবাদ গ্ৰন্থ উন্মোচন কৰা হয়।

১২ **ছেপ্টেম্বৰ :** বিশিষ্ট কমিউনিষ্ট নেতা সীতাৰাম য়েচুৰীৰ ৭২ বছৰ বয়সত দেহাৱসান ঘটে।

১৩ **ছেপ্টেম্বৰ :** আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জৰ ৰাজধানী প'ৰ্ট ব্লেয়াৰৰ নতুন নাম কেন্দ্ৰীয় চৰকাৰে 'শ্ৰীবিজয়া পুৰম' বুলি ঘোষণা কৰে।

১৪ **ছেপ্টেম্বৰ :** আন্তৰ্জাতিক খেলত ৯০০ গ'ল প্ৰদান কৰি পৰ্টুগীজ তাৰকা ক্ৰিষ্টিয়ানো ৰ'নাল্ডোৱে ইতিহাস ৰচনা কৰে।

১৭ **ছেপ্টেম্বৰ :** এয়াৰ মাৰ্শ্বাল অমৰপ্ৰীত সিং ভাৰতীয় বায়ু সেনাবাহিনীৰ মুৰব্বী নিযুক্ত হয়।

১৮ **ছেপ্টেম্বৰ :** 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' আয়োগৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে গৃহীত কৰে।

২০ **ছেপ্টেম্বৰ :** গুৱাহাটী আইআইটিৰ গৱেষক ছাত্ৰ তথা ছিপাঝাৰৰ বাসিন্দা ড° সাগৰ ভট্টৰায়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ চলিত বৰ্ষৰ আগশাৰীৰ বিজ্ঞানীৰ স্বীকৃতি লাভ কৰে।

- আসাম ট্ৰিবিউন বাতৰি কাকতৰ জ্যেষ্ঠ সাংবাদিক মমতা মিশ্ৰই কেন্দ্ৰীয় চৰকাৰৰ পৰা 'নাৰী শক্তি প্ৰেৰণা' পুৰস্কাৰ লাভ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# ভাৰতত প্ৰথম জাতীয়তাবাদৰ সূচনা—চিপাহী বিদ্ৰোহ

■ নৱনীতা কলিতা



বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতবৰ্ষলৈ আগমন ঘটা ইংৰাজ বাহিনীয়ে গোজেই গজালি মেলি ভাৰতবৰ্ষত শাসন কৰিবলৈ লয়। শাসনৰ নামত শোষণ চলোৱা চতুৰ বিশ্বাসঘাতক ইংৰাজসকলৰ প্ৰতি ক্ষুব্ধ ভাৰতবাসীৰ মনত কেইবা বছৰৰ পৰা উমি উমি জ্বলি থকা বিদ্ৰোহৰ জুইকুৰা দাও দাওকৈ জ্বলি উঠিছিল ১৮৫৭ চনৰ ২৯ মাৰ্চ তাৰিখে। ৩৪ নম্বৰ দেশীয় পদাতিক বাহিনীৰ সাহসী চিপাহী মংগল পাণ্ডেই বেৰেকপুৰ চিপাহী ছাউনীত প্ৰথমবাৰৰ বাবে অকলেই প্ৰকাশ্যভাৱে বিদ্ৰোহ কৰি উঠিছিল আৰু হিউছন (Hewson) আৰু ব' (Bough) নামৰ ইংৰাজ বিষয়া দুজনৰ গালৈ গুলী বৰ্ষণ কৰিছিল। সেয়াই আছিল আৰম্ভণি।

বিদ্ৰোহৰ নাম দিয়া হৈছিল 'চিপাহী বিদ্ৰোহ'। কাৰণ এই বিদ্ৰোহৰ তাৎক্ষণিক কাৰণ আছিল ভাৰতীয় চিপাহীসকলে ব্যৱহাৰ কৰা এনফিল্ড ৰাইফল আৰু ইয়াৰ কাৰ্ট্ৰিজবোৰ। এই এনফিল্ড ৰাইফল ব্যৱহাৰ কৰাৰ সময়ত ইয়াৰ গুলীটো দাঁতেৰে কামুৰি লগাব লাগিছিল। ক্ৰিমিয়াৰ যুদ্ধত বৃটিছ বাহিনীয়ে এই ৰাইফলবোৰ ব্যৱহাৰ কৰিছিল আৰু ১৮৫৬ চনৰ শেষৰ ফালে ভাৰতবৰ্ষত ইয়াক প্ৰচলন কৰা হৈছিল। ১৮৫৭ চনৰ জানুৱাৰী মাহৰ আগভাগতে দমদমৰ অস্ত্ৰাগাৰত কাম কৰা এজন খালাচীৰ পৰা প্ৰথমে এজন ব্ৰাহ্মণ চিপাহীয়ে জানিব পাৰিলে যে কাৰ্ট্ৰিজৰ কামুৰিব লগা অংশটোত গৰু আৰু গাহৰিৰ চৰ্বী সানি থোৱা থাকে। এই খবৰটো অতি সোনকালে বিয়পি পৰে আৰু সকলো চিপাহীৰ মনত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। হিন্দু আৰু মুছলমানৰ অখাদ্য খুৱাই বৃটিছসকলে ভাৰতীয়ৰ ধৰ্ম নষ্ট কৰিবলৈ চেষ্টা কৰা বুলি চিপাহীসকলৰ মনত প্ৰবল উত্তেজনাৰ সৃষ্টি হয় আৰু পূৰ্বৰে পৰা বিভিন্ন কাৰণত ক্ষোভিত চিপাহীসকলৰ উত্তেজনাই চাওঁতে চাওঁতে বিদ্ৰোহৰ ৰূপ লয়। ক্ৰমান্বয়ে বিদ্ৰোহৰ জুইকুৰা আগ বাঢ়ি যায় আৰু অত বছৰে অত্যাচাৰ সহ্য কৰি থকা ভাৰতবাসীও জাগ্ৰত হৈ উঠে। ১৮৫৭ চনৰ ১০ মে' তাৰিখে মীৰাটত ৩ নম্বৰ দেশীয় অশ্বাৰোহীসকলৰ মাজত এই বিদ্ৰোহ তীব্ৰ হৈ উঠে আৰু তাৰ পাছত ২০ নম্বৰ আৰু ১১ নম্বৰ দেশীয় পদাতিক বাহিনীৰ চিপাহীসকল, লক্ষ্ণৌৰ ৭ নম্বৰ বাহিনীসকল, ৩৮ নম্বৰ, ৫৪ নম্বৰ আৰু ৭৫ নম্বৰ বাহিনীৰ চিপাহীসকলেও এই বিদ্ৰোহত জঁপিয়াই পৰি এই কাৰ্ট্ৰিজৰ বিৰোধিতা কৰে। এই বিদ্ৰোহ উত্তৰ ভাৰতৰ মীৰাট, বিহাৰ, দিল্লী, কাণপুৰ, অযোধ্যা, গোৱালিয়ৰ, গোৰখপুৰ, এলাহাবাদ আৰু অসমতো বিয়পি পৰিছিল। বিদ্ৰোহৰ সবিশেষ জানিবলৈ আমি এই বিদ্ৰোহৰ কাৰণসমূহৰ বিষয়ে জানি লোৱা দৰকাৰ।

ইতিহাসৰ পম খেদি গ'লে আমি দেখা পাওঁ যে সম্ৰাট ঔৰংগজেৱৰ মৃত্যুৰ পাছৰে পৰাই ভাৰতবৰ্ষৰ আভ্যন্তৰীণ দুৰ্বলতা তথা ভাৰতীয় ৰজাসকলৰ অদূৰদৰ্শিতাৰ সুযোগ লৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বৃটিছ সাম্ৰাজ্য স্থাপন কৰিবলৈ সক্ষম হয়। বৃটিছৰ ক্ৰমবৰ্ধমান শক্তিত অসন্তুষ্টি প্ৰকাশ কৰি সময়ে সময়ে বংগৰ নবাব মিৰ কাছিম, অযোধ্যাৰ নবাব ছিৰাজউদদৌল্লা, ১৭৫৬ চনত পলাশীৰ যুদ্ধত সম্ৰাট ছাহ আলমে, ১৭৬৪ চনত বক্সাৰৰ যুদ্ধত মহীশূৰৰ হাইদৰ আলি আৰু টিপু চুলতান আদি নবাবসকলে নিজৰ নিজৰ ৰাজ্য ৰক্ষাৰ্থে বৃটিছ বাহিনীক ভাৰতৰ পৰা বিতাড়িত কৰাৰ চেষ্টা কৰিছিল।

এই সকলোবোৰ চেষ্টা বিফল হৈছিল যদিও বৃটিছৰ ওপৰত ভাৰতবাসী অসন্তুষ্ট হৈয়ে থাকিল। নিজকে ভাৰতৰ একমাত্ৰ শক্তি হিচাপে প্ৰতিপন্ন কৰা বৃটিছ বাহিনীৰ অহংকাৰ তথা সৰ্বসাধাৰণ ৰাইজৰ ওপৰত কৰা অত্যাচাৰ, অৰ্থনৈতিক শোষণ, দুৰ্নীতি আদি বৃদ্ধি পাবলৈ ধৰে। ফলস্বৰূপে ভাৰতবাসী ক্ষোভিত আৰু প্ৰতিবাদী হৈ পৰিল। বৃটিছ শাসনৰ বিৰুদ্ধে জাগ্ৰত হোৱা এই প্ৰতিবাদেই কালক্ৰমত বিদ্ৰোহৰ সৃষ্টি কৰিছিল আৰু আৰম্ভ হৈছিল ভাৰতবৰ্ষৰ 'প্ৰথম স্বাধীনতা সংগ্ৰাম'।

এনফিল্ড ৰাইফল আৰু ইয়াৰ কাৰ্ট্ৰিজবোৰ এই বিদ্ৰোহৰ তৎকালীন কাৰণ আছিল যদিও এই বিদ্ৰোহৰ মূল কাৰণ এটা নহয়। বহু কাৰকে এই বিদ্ৰোহ গা-কৰি উঠাত অৰিহণা যোগাইছিল। এই বিদ্ৰোহ আছিল বৃটিছ সাম্ৰাজ্যৰ ১০০ বছৰীয়া শোষণ আৰু অত্যাচাৰৰ পৰিণতি। এই বিদ্ৰোহৰ মূল কাৰণসমূহ হ'ল—

**ৰাজনৈতিক কাৰণ :**

- লৰ্ড ডেলহাউছিৰ 'স্বত্ববিলোপ নীতি'ৰ প্ৰচলন সাপেক্ষে ৰাজ্যত ৰজাৰ তোলনীয়া পুত্ৰৰ অধিকাৰ নস্যাৎ কৰা।
- নাগপুৰৰ ৰাজপ্ৰাসাদ লুণ্ঠন।
- অযোধ্যা ৰাজ্যৰ অৱলুপ্তি আৰু নবাবৰ পৰিয়ালৰ প্ৰতি বৃটিছ কৰ্মচাৰীসকলৰ কু-ব্যৱহাৰ।
- মোগল সম্ৰাটসকলৰ পেন্সন বন্ধ কৰা।
- চান্দকাৰ সম্প্ৰদায়ৰ (কপাহ খেতিৰ মধ্যস্থতাকাৰী) 'লাল খাটা' জ্বলাই দিয়া।
- সামাজিক বৈষম্য, বৃটিছসকলে ৰজাসকলৰ স্থান ল'ব বিচৰা।

**সামাজিক আৰু ধৰ্মীয় কাৰণ**

- সতীদাহ, বাল্যবিবাহ, নৰবলি আদি প্ৰথাৰ নিবাৰণ।
- বিধবা বিবাহ প্ৰচলন।
- ৰেলপথ স্থাপন, ইংৰাজী শিক্ষাৰ বিস্তাৰ, টেলিগ্ৰাফ ব্যৱস্থাৰ প্ৰচলন আদিয়েও ভাৰতবাসীক বৃটিছ চৰকাৰৰ প্ৰতি সন্দিহান কৰি তুলিছিল।
- ন্যায় বিচাৰৰ ক্ষেত্ৰত ইউৰোপীয়সকলৰ অধিকাৰ।
- ইংৰাজ মিছনেৰীসকলৰ বলপূৰ্বক খৃষ্টান ধৰ্ম প্ৰচাৰ।
- হিন্দুসকলৰ দণ্ড গ্ৰহণ নীতি অগ্ৰাহ্য।
- উত্তৰাধিকাৰী আইন প্ৰবৰ্তন। উত্তৰাধিকাৰী আইনৰ জৰিয়তে অন্য ধৰ্ম গ্ৰহণ কৰা সন্তানক পিতৃ সম্পত্তি লাভ কৰাত সুবিধা কৰি দিয়া।

**অৰ্থনৈতিক কাৰণ**

- বৃটিছ সাম্ৰাজ্য বিস্তাৰৰ লগে লগে ভাৰতীয় লোকসকলৰ কৰ্মসংস্থানহীনতা।
- বেপাৰ-বাণিজ্য সম্পূৰ্ণৰূপে বিদেশীৰ হাতলৈ গতি কৰা।
- বিদেশী আমদানিকৃত সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস কৰি থলুৱা সামগ্ৰীবোৰৰ কৰ বৃদ্ধি কৰা।
- বিদেশী পণদ্ৰব্যৰ প্ৰতিযোগিতাত ভাৰতীয় শিল্পবোৰ ক্ৰমে ধ্বংসৰ দিশে গতি কৰা।
- ১৮৩৫ চনত কোম্পানীৰ মুদ্ৰাৰ পৰা মোগল সম্ৰাটৰ নামটো বাদ দিয়া আৰু পাৰ্চী ভাষাৰ পৰিবৰ্তে ইংৰাজী ভাষাৰ প্ৰচলন কৰা।

**সামৰিক কাৰণ**

- লৰ্ড কেনিঙে প্ৰবৰ্তন কৰা ১৮৫৬ চনৰ সামৰিক সেৱা সংশ্লিষ্ট আইন (General Service Enlistment Act) অনুসৰি সৈনিকসকলে সমুদ্ৰ পাৰ হৈ বিদেশলৈ যুদ্ধ কৰিবলৈ যাবলৈ বাধ্য হোৱা।
- বৃটিছ সৈনিক আৰু ভাৰতীয় সৈনিকৰ সা-সুবিধা তথা বেতন আদিত দেখা যোৱা বৈষম্য।
- ভাৰতীয় সৈনিকসকলে নিজ ধৰ্মৰ অনুকূল যদিও সমুদ্ৰ পাৰ কৰি অন্য দেশত যুদ্ধ কৰিবলৈ যোৱাৰ বাবদ প্ৰাপ্ত অতিৰিক্ত বেতন বাতিল কৰা।
- পদোন্নতিৰ ক্ষেত্ৰতো ভাৰতীয় চিপাহীয়ে চুবেদাৰ পদতকৈ আন কোনো উচ্চ পদলৈ পদোন্নতিৰ অনুমতি নোপোৱা।

চিপাহীসকলৰ মাজত আৰম্ভ হৈ এই বিদ্ৰোহে ক্ৰমান্বয়ে সাধাৰণ লোককো জাগ্ৰত কৰি তোলে। বিদ্ৰোহীসকলে দিল্লীলৈ গৈ মোগল সম্ৰাট দ্বিতীয় বাহাদুৰ শ্বাহক ভাৰতৰ সম্ৰাট ঘোষণা কৰে। বাহাদুৰ শ্বাহৰ নেতৃত্বত বিদ্ৰোহ ইমান সোনকালে বিয়পি পৰিল যে

ইউৰোপীয়সকলে ততকে ধৰিব নোৱাৰিলে। পৰবৰ্তী সময়ত নাছিৰাবাদ, বেৰিলি, কাণপুৰ, লক্ষ্ণৌ, বাৰাণসী, এলাহাবাদ, বুন্দেলখণ্ড, বিহাৰ আদি বিভিন্ন ঠাইলৈ বিদ্ৰোহ বিয়পি পৰে। বিহাৰৰ জগদীশপুৰৰ জমিদাৰ কোঁৱৰ সিং, কাণপুৰৰ নানা চাহেব, তাঁতীয়া টোপী, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, অসমৰ মণিৰাম দেৱান, পিয়লি বৰুৱা আদি সাহসী নেতাসকলৰ নেতৃত্বত ঠায়ে ঠায়ে বিদ্ৰোহে গা-কৰি উঠিল যদিও চতুৰ আৰু ক্ষমতাশালী ইংৰাজ চৰকাৰে অলপ দিনৰ ভিতৰতে এই বিদ্ৰোহ দমন কৰিবলৈ সক্ষম হয়। বিদ্ৰোহত নেতৃত্ব লোৱা কিছুসংখ্যক নেতা পলাই যায় আৰু কিছুসংখ্যকক ইংৰাজ চৰকাৰে প্ৰাণদণ্ড দিয়ে। ফলত ইংৰাজ সাম্ৰাজ্যৰ ভেটি কঁপাই তোলা ১৮৫৭ চনৰ বিদ্ৰোহ বিফল হৈ পৰে। বিদ্ৰোহ বিফল হোৱা কেতবোৰ কাৰক হ'ল—

১। আঞ্চলিক সীমাবদ্ধতা হৈছে এই বিদ্ৰোহৰ ঘাই কাৰণ। সমগ্ৰ ভাৰততে এই বিদ্ৰোহে দেখা দিয়া নাছিল। দেখিবলৈ পোৱা যায় যে উত্তৰ ভাৰতৰ কিছু ৰাজ্যতহে এই বিদ্ৰোহ হৈছিল, দক্ষিণ ভাৰতৰ প্ৰায় ৰাজ্যই এই ক্ষেত্ৰত নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰিছিল।

২। বিদ্ৰোহৰ মূল নেতাসকলৰ মাজত সদ্‌ভাৱ তথা যোগাযোগ নাছিল। সমূহীয়া উদ্দেশ্যতকৈ নেতাসকলে নিজৰ নিজৰ অঞ্চলৰ ৰাজ প্ৰতিষ্ঠাৰ বাবেহে বৃটিছৰ বিৰুদ্ধে থিয় দিছিল। অ'ত-ত'ত বিক্ষিপ্তভাৱে বিদ্ৰোহ হোৱাত বৃটিছৰ পক্ষে ইয়াক দমন কৰাত সহজ হৈ পৰিছিল।

৩। বিদ্ৰোহৰ কোনো পৰিকল্পনা নাছিল। আকস্মিকভাৱে আৰম্ভ হোৱা বিদ্ৰোহে পৰিকল্পনাৰ অভাৱত হাৰ মানিবলগীয়া হৈছিল।

৪। বৃটিছ নেতাসকলৰ তুলনাত এই বিদ্ৰোহত নেতৃত্ব দিয়া নেতাসকলৰ অভিজ্ঞতা আৰু দক্ষতাৰো অভাৱৰ বাবে বিদ্ৰোহ বিফল হোৱা বুলি ধাৰণা কৰা হয়।

৫। ভাৰতৰে একাংশ দেশীয় ৰজাই এই বিদ্ৰোহৰ বিৰুদ্ধাচৰণ কৰি বৃটিছৰ পক্ষ লোৱাহে দেখা গৈছিল।

৬। বৃটিছ বাহিনীৰ উন্নত অস্ত্ৰ-শস্ত্ৰৰ তুলনাত দেশীয় সেনাবাহিনীৰ অস্ত্ৰ-শস্ত্ৰই ফেৰ মাৰিব পৰা নাছিল।

বিদ্ৰোহ বিফল হ'ল যদিও ই ভাৰত শাসন সম্বন্ধে বৃটিছ চৰকাৰৰ দৃষ্টিভংগী সম্পূৰ্ণ সলনি কৰি দিলে। ১৮৫৭ চনৰ বিদ্ৰোহে ইষ্ট ইণ্ডিয়া কোম্পানীৰ পতন অনিবাৰ্য্য কৰি তুলিলে। বৃটিছ পাৰ্লিয়ামেণ্টে ১৮৫৮ চনৰ ২ আগষ্ট তাৰিখে 'ভাৰত চৰকাৰ আইন' গ্ৰহণ কৰি পোনপটীয়াভাৱে ভাৰতৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। এই আইনে ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ক্ষমতাৰ অন্ত পেলায় আৰু ভাৰত শাসনৰ সকলো ক্ষমতা বৃটিছ মন্ত্ৰীসভাৰ এজন সদস্যৰ হাতত অৰ্পণ কৰে। এই সদস্যজনক ভাৰত সচিব (Secretary of State of India) আখ্যা দিয়া হয়। এই সময়ৰ পৰাই ভাৰতৰ গৱৰ্নৰ জেনেৰেলক 'ভাইচৰয়' (viceroy) আখ্যা দিয়া হয়। এই বিদ্ৰোহে ভাৰতৰ শাসন ব্যৱস্থাত বিশেষ পৰিৱৰ্তন আনিব নোৱাৰিলেও বৃটিছসকলৰ চিন্তাধাৰাৰ পৰিৱৰ্তন ঘটাইছিল আৰু ভাৰতবাসীৰ মনত জাতীয়তাবাদৰ সূচনা কৰিছিল। ❖

## তোমালোকৰ বাবে প্ৰশ্ন উত্তৰ দিওঁতাসকল, ছেপ্টেম্বৰ, ২০২৪

কৌস্তুভ নাথ (পঞ্চম খ), পাৰ্থ প্ৰতীম বৈশ্য (পঞ্চম ঘ), অবিনাশ বৈশ্য (ষষ্ঠ খ), ইবন চিৰিং (ষষ্ঠ খ), বিদীপ শৰ্মা (ষষ্ঠ খ), মধুৰ মনীষ বৰপূজাৰী (ষষ্ঠ গ), কৌশিক দাস (অষ্টম ক), জিয়ান ফুকন ঠাকুৰীয়া (পঞ্চম ঘ), তাচিন আহমেদ (ষষ্ঠ গ), অন্বেষণ শিৰম অনন্যম(ষষ্ঠ খ), পল ভৰালী (ষষ্ঠ গ), জ্যোতিষ্মান ডেকা (ষষ্ঠ খ), ৰাগিনী কাশ্যপ (ষষ্ঠ গ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (ষষ্ঠ খ), অবিনাশ বৈশ্য (ষষ্ঠ খ), তাচিন আহমেদ (ষষ্ঠ গ)। ❖

শিক্ষাৰ্থীৰ আখৰা-তলী

# এজোপা গছৰ বিষাদ-কথা

■ সিদ্ধাৰ্থ ৰাভা
দশম শ্ৰেণী



আজি বেছ কিছুদিন ধৰি মোৰ মনটো ভাল নহয়। যেন সিপুৰীৰ বেয়া কৰ্মৰ ফল ভুগিছোঁ। পাছে, বহুতে কোৱা শুনিছোঁ পাপৰ ফল হেনো লগে লগে পায়, অৰ্থাৎ এই জনমতে। পাছে মই কি পাপ কৰিছোঁ? বাটৰুৱাক ছাঁ, ভোকাতুৰক ফল আৰু চৰাই-চিৰিকটিক আবাস দিয়াই নেকি মোৰ পাপ? হ'বও পাৰে। মূল ৰাস্তাৰ কাষত মই থিয় হৈ আছোঁ। মূল ৰাস্তাটো হেনো 'ফ'ৰলেন' কৰিব। মোক নাকাটিলে নহয়। পাছে মোক কটাকেইজনে সেই সকলোবোৰ বাৰু দিব পাৰিবনে? পাৰিবনে পূৰাব মোৰ দৰে এশ বছৰ পুৰণি জীৱ এটাৰ অনুপস্থিতিৰ অভাৱ?

কিছুদিন আগৰ কথা। মানুহে তেতিয়া আমাক পূজিছিল, দেৱতাৰো স্থান দিছিল। ল'ৰা-ছোৱালীয়ে সাবটি ধৰি উমলিছিল। মোৰ তলতেই বালিৰে ঘৰ সাজিছিল। পাছে আজিকালি সময় ক'ত? এৰা মানুহে পাহৰিবলৈ ধৰিছে আমাৰ উপকাৰ। ধিক্কাৰ দিছোঁ মানৱ জাতিক।

আধুনিকতাৰ এই দৌৰত মই চাগে' বৈ গ'লোঁ ক'ৰবাত, কত যে যন্ত্ৰণা খালোঁ, তথাপি কি দিয়া নাই মই! ইমান অকৃতজ্ঞ এই মানৱ জাতি! মোৰ ছাঁতে গাঁৱত বৈঠক পাতিছিল, সভা পাতিছিল, বিহু পাতিছিল। পাছে, এতিয়া মানুহবোৰ আধুনিক হ'ল, গছৰ তলত বিহু নপতা হ'ল, বৈঠক নবহা হ'ল। সকলোবোৰ কৃত্ৰিম হ'ল। মোৰ প্ৰয়োজন যেন নাইকিয়া হ'ল। এৰা মোৰ এই বাৰ্ধক্যত সংগ কেৱল চৰাই-চিৰিকটিকেইটাইহে দিছে।

কিছু বছৰ আগৰ কথা। মানুহে মোক ৰক্ষা কৰিবলৈ ওলাই আহিছিল, মোক ৰক্ষাৰ অৰ্থে মোকেই সাবটি ধৰি আন্দোলন সাব্যস্ত কৰিছিল। এতিয়া সেই মানুহে মোক কাটিবলৈ ওলাইছে। চলাচল কৰিব নোৱৰাই মোৰ চৰম ব্যৰ্থতা।

বেছ কিছুদিনমান আগতে চৰাই এজাকে মোৰ সম্বন্ধীয় ককাইদেউ এজনৰ খবৰ আনিছিল। বোলে ঘৰ উজৰিল চৰাইজাকৰ। উমনি দি থকা কণীকেইটাৰ লগত চৰাইজনীয়েও প্ৰাণ এৰিলে ককাইদেউৰ লগত। গছ কটা দানৱকেইটাৰ মনত এবাৰো নেখেলালে নে গছজোপাত থকা কণীকেইটাৰ, উমনি দি থকা মাকজনীৰ কথা? সেইদিনা মা প্ৰকৃতিয়ে কান্দিছিল, মই কান্দিছিলোঁ, সকলোৱে কান্দিছিল, কেৱল জুম বান্ধি থকা মানুহজাকৰ বাদে।

মোৰ ওচৰত সম্বন্ধীয় আৰু কোনো নাই, এতিয়া মাথোঁ সেই দিনটোলৈ বাট চাই আছোঁ, যেতিয়া মোক মাৰি হ'লেও ৰাস্তা বহলাব। তেতিয়া চাগৈ সমাজখনৰ উন্নতি হ'ব; কিন্তু সুস্থিৰ নহয়। মোৰ সকলো ভাই-ভনীক কাটি উন্নয়ন কৰিব পাৰিব, কিন্তু কেতিয়াও সুখী হ'ব নোৱাৰে মানুহ। ❖

## তোমালোকৰ বাবে প্ৰশ্ন উত্তৰ, ছেপ্টেম্বৰ, ২০২৪

১। ঘানা ২। প্ৰস্তুতি পৰাশৰ ৩। ফিজি ৪। নবীন চন্দ্ৰ শৰ্মা ৫। মণিপুৰ ❖

# জোনবিল মেলা

■ কৌস্তভ শৰ্মা
অষ্টম শ্ৰেণী

অসমৰ এটা অতি আকৰ্ষণীয় উৎসৱ হ'ল জোনবিল মেলা। মৰিগাঁও জিলাৰ মধ্যৱৰ্তী অঞ্চল জাগীৰোডৰ পৰা উত্তৰে তিনি কিল'মিটাৰ দূৰত্বত অৱস্থিত এখন বিলৰ নাম হৈছে জোনবিল। এই



বিলৰ পাৰত অনুষ্ঠিত হোৱা মেলাৰ বাবে এই মেলাৰ নাম জোনবিল মেলা। মাঘ বিহুৰ পাছৰ সপ্তাহত এই মেলা অনুষ্ঠিত হয়। এই মেলাৰ বিশেষ তাৎপৰ্য্য হৈছে পাহাৰত বসবাস কৰা জনজাতীয় তিৱা লোকসকলে তাত উৎপাদিত বিভিন্ন দ্ৰব্য ভৈয়ামত বাস কৰা তিৱা তথা অন্য জনগোষ্ঠীয় লোকসকলে তৈয়াৰ কৰা পিঠা, সান্দহ, শুকান মাছৰ আদিৰ সৈতে বিনিময় কৰে। ইয়াত জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে দ্ৰব্য বিনিময় কৰে। সেয়ে এই মেলা হৈছে সম্প্ৰীতিৰ মেলা।

জোনবিল মেলাৰ আৰম্ভণি কোনে, কেতিয়া কৰিছিল তাৰ সঠিক তথ্য পোৱা নাযায় যদিও তাহানিৰ গোভা ৰাজ্য প্ৰতিষ্ঠাৰ দিনৰে পৰাই এই মেলাৰ আৰম্ভণি হোৱা বুলি পণ্ডিত-গৱেষকসকলে মত পোষণ কৰিছে। গোভা ৰাজ্য হৈছে এই মেলাৰ জন্মদাতা। জোনবিল মেলাৰ নাম সম্পৰ্কে কিছুমান জনশ্ৰুতি বিভিন্ন লোকৰ মুখত প্ৰচলিত হৈ অহা শুনিবলৈ পোৱা যায়। গোভা ৰাজ্য প্ৰতিষ্ঠা কৰা ৰজাই এদিন ৰাণীৰ সৈতে বিহাৰ কৰি ঘূৰি আহোঁতে এখন বিলৰ কাষ পাইছিল। বিলৰ ফটফটীয়া পানীত জোনৰ পোহৰ পৰি জিলিকি উঠিছিল। তাকে দেখি ৰজা-ৰাণীৰ মনত আনন্দ লাগিছিল আৰু তেতিয়াই ৰজাই ৰাণীক কৈছিল, “হেবে ছ্নাই পিল হঙদ” অৰ্থাৎ এইখন জোনবিলৰ দৰে বিল। তিৱা ভাষাত ‘ছ্নাই’ মানে হৈছে জোন, এই ছনাই পিলৰ পৰাই কালক্ৰমত অপভ্ৰংশ হৈ জোনবিল হোৱা বুলি কোৱাৰ থল আছে। ভৌগোলিক দৃষ্টিকোণেৰে লক্ষ্য কৰিলে দেখা যায় যে এই বিলৰ আকৃতি কাঁচি জোনটোৰ দৰে, সেই বাবেও হয়তো ইয়াৰ নাম জোনবিল হ'ল।

জোনবিল মেলা মাঘ বিহুৰ পাছৰ সপ্তাহত আৰম্ভ হয়। সপ্তাহটোৰ মঙল-বুধবাৰৰ পৰা মানুহৰ সমাগম হয় যদিও শুক্ৰবাৰ আৰু শনিবাৰেহে প্ৰধান মেলা হয়। মেলা আৰম্ভ হোৱাৰ পূৰ্বে জোনবিলত ৰজাৰ পাৰিষদবৰ্গ তথা বিভিন্ন গাঁৱৰ নিৰ্দিষ্ট ব্যক্তিবোৰে মাছ মাৰে, ইয়াক ‘ৰজা মাছ মৰা’ বুলি কয়। সেই মাছেৰে জোনবিলৰ পাৰত ৰজাৰ সহিতে সকলোৱে মিলি-জুলি ভোজ-ভাত খায়। ইয়াৰ পাছদিনা সকলো ৰাইজলৈ এই বিলখন মাছ মৰাৰ বাবে মুকলি কৰি দিয়ে।


জোনবিল মেলাৰ মূল বিষয় হৈছে বিনিময় প্ৰথা। বৰ্তমান যুগত টকা-পইচাৰে সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰাৰ সময়তে এই মেলাত থলুৱা খাদ্যদ্ৰব্যৰে আদান-প্ৰদান কৰা প্ৰথা দেখা যায়। পাহাৰত বসতি কৰা তিৱাসকলে তেওঁলোকৰ উৎপাদিত খাদ্য-শস্য, কচু, বাঁহগাজ, জলকীয়া, থেকেৰা আদি বিভিন্ন বস্তু ভৈয়ামৰ লোকসকলৰ সান্দহ, পিঠা, মাছ ইত্যাদিৰ সৈতে বিনিময় কৰে। সকলোৱে নিজ নিজ দ্ৰব্য হোৱাত ভৰাই লয় আৰু মেলাত থাকিবৰ বাবে বিভিন্ন সা-সঁজুলি লৈ আহে। বিনিময় প্ৰথা আৰম্ভ হোৱাৰ সমান্তৰালভাৱে সেই ঠাইৰ ওচৰতে কুকুৰা যুঁজ অনুষ্ঠিত কৰা হয়। আনহাতে গোটেই মেলাখন পৰিচালনা কৰাৰ বাবে একোখন পৰিচালনা সমিতি থাকে। এই উদ্‌যাপন সমিতিয়ে যাৱতীয় সকলো সা-সুবিধা কৰি দিয়ে।

জোনবিল মেলাৰ বিষয়ে ৰীতা চৌধুৰীৰ সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত গ্ৰন্থ ‘দেওলাংখুই’ত বিস্তৃত বৰ্ণনা দেখিবলৈ পোৱা যায়। ❖

# ৰামধেনুৰ হাঁহি

■ দোকমোকালি গোস্বামী
পঞ্চম শ্ৰেণী

ৰামধেনু, ৰামধেনু !
কোননো তুমি,
ক'তনো থাকা
ক'বানে এবাৰ মোক?
সাত ৰঙেৰে উজ্জ্বল তুমি
আকাশত থাকা হাঁহি।
সদায় তুমি ওলাবা বুলি
থাকোঁ আশা কৰি,
লুকা-ভাকু খেলি নোলোৱা সদায়
খং উঠি যায় মোৰ।
বহুদিন ধৰি ভাবিলোঁ গুণিলোঁ,
পঠালোঁ এখনি চিঠি
তুমি নোলালে মন বেয়া লাগে
সেই কথাকে ভাবি।
চিঠিখন তুমি পালা নে নাই
নাজানো মই পাছে,
উত্তৰ দিবা বুলি
বাট চাই চাই
ৰৈ থকোঁ মই সদায়,
এদিন দেখিলোঁ
উজ্জ্বল হৈ তুমি
মোলৈ আছা চাই,
মনটো স্ফূৰ্তিতে নাচি উঠিল
তোমাকে দেখা পাই। ❖



# মা

■ চয়নিকা কাশ্যপ
ষষ্ঠ শ্ৰেণী

মা তুমি যে মোৰ আপোন,
নাম দিলোঁ তোমাক জন্মদাত্ৰী
তুমি হ'লা মোৰ সৰগৰ পৰী
সপোন দেখুওৱা সেই জেউতি বেলি,
এন্ধাৰ বাটত পোহৰ দেখুওৱা
তুমি হ'লা এগছি চাকি
স্বাৰ্থহীনভাৱে মৰম কৰা
তুমি হ'লা এজনী মৰমী,
মা তুমি যে আমাৰ বৰ আপোন,
মা তুমি যে মোৰ বৰ মৰমৰ। ❖

# আমাৰ বাপুজী

■ বিৰিখ শৰ্মাচাৰ্য্য
সপ্তম শ্ৰেণী

গান্ধীজীৰ হৈছিল জন্ম
১৮৬৯ চনৰ দুই অক্ট'বৰত,
মোহনদাস নাম লৈ গুজৰাট
প্ৰদেশৰ
পোৰবন্দৰ চহৰত।
তেওঁৰ দেউতাক কৰমচাঁন্দ গান্ধী
মাক আছিল পুতলী বাঈ,
মোহনদাস গান্ধীয়ে দেশে-বিদেশে
অহিংসাৰ বাণী বিলায়।
স্বাধীনতা আন্দোলনৰ আছিল
তেওঁ প্ৰধান নেতা,
আঁঠুৰ ওপৰত ধুতি পিন্ধিছিল
যঁতৰত কাটি সূতা।
স্বচ্ছ ভাৰতৰ তেওঁ
সপোন দেখিছিল,
নিজৰ শৌচাগাৰ নিজে
পৰিষ্কাৰ কৰিছিল।
দেশক স্বাধীন কৰি হৈ পৰিল
জাতিৰ পিতা,
ৰবীন্দ্ৰনাথ ঠাকুৰে নাম দিলে
তেওঁক 'মহাত্মা'।
সকলোৰে মাতিছিল তেওঁক
বাপুজী বুলি,
তেওঁৰেই বুকু ভেদি গ'ল
নাথুৰামৰ গুলী।
গান্ধীজীক আমি সকলোৰে কৰোঁ
অতি সন্মান,
সত্য আৰু অহিংসাৰ নীতিৰে
ৰাখিম তেওঁৰ মান। ❖

# বংগোপসাগৰ দেখিলোঁ

■ উপাসনা চৌধুৰী
সপ্তম শ্ৰেণী



সৰুৰে পৰাই সাগৰ এখন নিজ চকুৰে চাবলৈ আৰু বিমানত ভ্ৰমণ কৰিবলৈ মোৰ বৰ হেঁপাহ আছিল। যথা সময়ত এই হেঁপাহ পূৰণ হ'ল। দেউতাৰ সিদ্ধান্ত অনুসৰি আমি যোৱা ২০২৩ চনৰ ১ নৱেম্বৰ তাৰিখে তামিলনাডুলৈ ৰাওনা হ'লোঁ। এই যাত্ৰাত মোৰ সংগী আছিল আইতা আৰু মা-দেউতা। আমি ১ নৱেম্বৰৰ দিনা পুৱাই সকলোৱে চাহ-জলপান খাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ বুলি ওলালোঁ। গৈ পাওঁতে প্ৰায় আঢ়ৈ ঘণ্টামান লাগিল। আমি ৬ বাজি ৩০ মিনিটত বিমান বন্দৰত উপস্থিত হৈছিলোঁ। আমাৰ ফ্লাইট আছিল ৰাতিপুৱা ৮ বাজি ৩৫ মিনিটত। যথা সময়ত আমি আমাৰ বেগবোৰ পৰীক্ষা কৰাই তাত জমা দিলোঁ। কিছু সময় বিমান বন্দৰত বহাৰ পাছত আমি ফ্লাইটলৈ বুলি গ'লোঁ। প্ৰথমবাৰ উৰাজাহাজ এখন দেখি আচৰিত হৈছিলোঁ। কিয়নো ম'বাইলৰ ভিডিঅ'বোৰত দেখা উৰাজাহাজখন প্ৰকৃততে কিমান বিশাল ! তাৰ পাছত আমি আমাৰ নিৰ্দিষ্ট আসনত বহিলোঁ আৰু বিমান চলিবলৈ আৰম্ভ কৰিলে। প্ৰথমতে অলপ ভয় লাগিছিল, কিন্তু লাহে লাহে ভয় কমিল আৰু ভাল লাগিবলৈ ধৰিলে। তিনিঘণ্টীয়া যাত্ৰা বাবে আমনি লগা নাছিল। প্ৰায় ১১ বাজি ৪০ মিনিটত আমি আমাৰ গন্তব্যস্থানত উপস্থিত হ'লোঁ। বিমান বন্দৰৰ পৰা হোটেললৈ কিছু দূৰ আছিল বাবে এখন টেক্সি ভাৰা কৰিলোঁ। ১ বজাত হোটেল গৈ পালোঁ আৰু সকলোৱে গা-পা ধুই অলপ জিৰণি ল'লোঁ। বিয়লি ৪ মান বজাত আমি পেট পূজাৰ বাবে ওচৰতে থকা ৰেষ্টুৰেণ্ট এখনলৈ গ'লোঁ। তাৎলৈ গৈ দেখিলোঁ যে সকলো খোৱাবস্তু এখন কলপাতত দিয়া হয়। এই দৃশ্য দেখি ভাল লাগিল। আহাৰ গ্ৰহণ কৰি আমি হোটেললৈ আহিলোঁ। কিয়নো সেইদিনা সকলোৱে শৰীৰ ভাগৰুৱা হৈ পৰিছিল। সেইদিনা একো চোৱা নহ'ল। তাৰ পাছদিনা অৰ্থাৎ ২ নৱেম্বৰ তাৰিখে আমি ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি ১১ মান বজাত হোটেলৰ পৰা ওলাই গ'লোঁ। প্ৰথমে গ'লোঁ মোৰ আশা পূৰণ কৰিবলৈ বুলি মেৰিনা বীচলৈ। সাগৰখন নিজ চকুৰে দেখি মোৰ কেনেকুৱা অনুভৱ হৈছিল সেয়া মই লিখি প্ৰকাশ কৰিব নোৱাৰিম। সাগৰৰ পাৰত বহু সময় থাকিলোঁ। সাগৰত হেঁপাহ পলুৱাই গা ধুলোঁ আৰু ফটো উঠিলোঁ। ১ বজামানলৈ তাতেই থাকিলোঁ। তাৰ পাছত গ'লোঁ বজাৰ কৰিবলৈ। চিনস্বৰূপে কিছু বস্তুৰ লগতে কাপোৰ-কানি কিনিলোঁ। সন্ধিয়া ৭ মানবজাত হোটেললৈ গ'লোঁ আৰু তাতেই ভাত-পানী খাই শুই থাকিলোঁ। ৩ নৱেম্বৰৰ দিনা ওলাই নগ'লোঁ, কাৰণ আগদিনা সাগৰৰ পানীত বেছি সময় থকাৰ বাবে গাটো দুৰ্বল অনুভৱ হৈছিল আৰু জ্বৰ হোৱাৰ নিচিনা হৈছিল। সৌভাগ্যক্ৰমে এই দুৰ্বলতা বেছিদিনলৈ নাথাকিল আৰু দুদিনতে দিনতে মই সুস্থ হ'লোঁ। ৫ নৱেম্বৰ তাৰিখে আমি শেষবাৰৰ বাবে বেছিভাগ ঠাই ফুৰিলোঁ। তাৰ ভিতৰত আছিল অষ্টলক্ষ্মী মন্দিৰ, ভাল্লুভাৰ কত্তাম, কন্যাকুমাৰীত থকা থিৰুভাল্লুভাৰ মূৰ্তি আদি। ইয়াৰ ভিতৰত মোৰ অষ্টলক্ষ্মী মন্দিৰ আৰু কন্যাকুমাৰীস্থিত থিৰুভাল্লুভাৰ মূৰ্তিটো দেখি ভাল লাগিল। অষ্টলক্ষ্মী মন্দিৰৰ সমান ডাঙৰ মন্দিৰ মই দেখাই নাছিলোঁ। মন্দিৰত ভক্তিভাৱেৰে সেৱা কৰিলোঁ। থিৰুভাল্লুভাৰ মূৰ্তিটো ইমান বিশাল আছিল যে মই মূৰ্তিটোৰ ভৰিৰ আঙুলিকেইটাৰ বাদে একো স্পৰ্শই কৰিব নোৱাৰিলোঁ।

তাত থকা দিনকেইটা বৰ আনন্দেৰে পাৰ হৈছিল। কিছুমান দৃশ্য দেখি মোহিত হৈছিলোঁ মই। তামিলনাডুৰ ৰাস্তা-ঘাটবোৰ বৰ চাফ-চিকুণ আছিল। ৰাস্তাৰে গৈ থাকোঁতে এনে লাগিছিল যেন অৰণ্যৰ মাজেৰেহে গৈ আছোঁ। বাঁহ গছবোৰ অসমৰ তুলনাত কেইবাগুণে ডাঙৰ আছিল। আচৰিত কথা এয়ে যে গুৱাহাটীৰ নিচিনা গুমটিৰ দোকান তাত এখনো দেখা নাছিলোঁ। তাত যদি কিবা কাৰণত এটা চিপ্‌ছ বা চকলেটৰ বাকলি কোনোবাই পেলায় তেন্তে ১০০০ টকা পৰ্য্যন্ত জৰিমনা ভৰিব লাগে। অৱশেষত ৬ নৱেম্বৰ তাৰিখে আমি আবেলি ৪ বাজি ৪৫ মিনিটত ফ্লাইটত উঠি ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। ৫ দিন থকাৰ অন্তত তাৰ পৰা আহিবৰ একেবাৰেই ইচ্ছা নাছিল। সন্ধিয়া ৭ বাজি ৫০ মিনিটত গুৱাহাটী পালোঁহি। তামিলনাডুৰ স্মৃতি মোৰ মনত সদায় সজীৱ হৈ থাকিব। ❖

# মাউণ্ট এভাৰেষ্ট

■ ধান্যাতা তামুলী
পঞ্চম শ্ৰেণী



মাউণ্ট এভাৰেষ্ট হ'ল পৃথিৱীৰ ভিতৰতে আটাইতকৈ ওখ শৃংগ। ই হিমালয় পৰ্বতত অৱস্থিত আৰু নেপালৰ অন্তৰ্গত। আৰম্ভণিতে এই শৃংগটোৰ নাম আছিল পিক ফিফ্‌টিন (Peak XV)। পাছত 1865 চনত ৰয়েল জিঅ'গ্ৰাফিকেল ছ'চাইটিয়ে ভাৰতৰ প্ৰাক্তন ছাৰ্ভেয়ৰ জেনেৰেল ছাৰ জৰ্জ এভাৰেষ্টৰ নামেৰে এই শৃংগটোৰ নাম এভাৰেষ্ট ৰাখে। নেপালত মাউণ্ট এভাৰেষ্টক স্থানীয় ভাষাত সাগৰ মাথা বুলি কয় যাৰ অৰ্থ হৈছে আকাশৰ দেৱী (Goddess of the sky)। তিব্বতত আকৌ ইয়াক চোমোলাংমা (Chomolungma) বুলি কয়, যাৰ অৰ্থ হৈছে পৃথিৱীৰ দেৱী মাতা (Goddess mother of the world)। মাউণ্ট এভাৰেষ্টৰ উচ্চতা প্ৰায় ৮,৮৪৮ মিটাৰ বা ২৯,০২৯ ফুট ওখ। এজন ভাৰতীয় গণিতজ্ঞ ৰাধানাথ সিকদাৰে ১৮৫৫ চনত মাউণ্ট এভাৰেষ্টৰ উচ্চতা নিৰ্ণয় কৰিছিল।

মাউণ্ট এভাৰেষ্ট আৰোহণ কৰাটো খুব কঠিন কাম যদিও নিজৰ অদম্য ইচ্ছা আৰু সাহসিকতাৰ বাবে এতিয়ালৈ বহুত মানুহে মাউণ্ট এভাৰেষ্টৰ শিখৰ আৰোহণ কৰিবলৈ সক্ষম হৈছে। এই শৃংগলৈ সাধাৰণতে দুটা পথৰে আৰোহণ কৰিব পাৰি। এটা হ'ল নেপালৰ দক্ষিণ পূবৰ পৰা, আনটো হ'ল তিব্বতৰ উত্তৰৰ পৰা।

১৯২১ চনৰ পৰাই বহুতো পৰ্বতাৰোহণকাৰীয়ে মাউণ্ট এভাৰেষ্টৰ শিখৰ আৰোহণ কৰিবলৈ চেষ্টা চলাইছিল যদিও ১৯৫৩ চনতহে নিউজিলেণ্ডৰ পৰ্বতাৰোহী এডমাণ্ড হিলাৰী আৰু নেপালৰ টেনজিং নৰ্গেই পোনপ্ৰথমবাৰৰ বাবে এভাৰেষ্ট শিখৰ আৰোহণ কৰিবলৈ সক্ষম হৈছিল। পৰ্বতাৰোহী অৱতাৰ সিং সীমাই প্ৰথম ভাৰতীয় পুৰুষ হিচাপে ১৯৬৫ চনত এভাৰেষ্ট শিখৰ আৰোহণ কৰিছিল। তেনেদৰে ১৯৮৪ চনত বাচেন্দ্ৰী পালে প্ৰথম ভাৰতীয় মহিলা হিচাপে এভাৰেষ্ট শিখৰ জয় কৰিছিল।

আমাৰ অসমৰ পৰাও বহুকেইজন পৰ্বতাৰোহীয়ে এভাৰেষ্ট আৰোহণ কৰিবলৈ চেষ্টা কৰিছিল যদিও সফল হ'ব পৰা নাছিল। ২০১৩ চনৰ ১৮ মে'ত তৰুণ শইকীয়াই পোনপ্ৰথমতে এভাৰেষ্ট জয় কৰিছিল আৰু তাৰ কিছুদিন পাছত ২৪ মে' তাৰিখে মনীষ কুমাৰ ডেকাই দ্বিতীয়জন অসমীয়া হিচাপে এভাৰেষ্ট শৃংগ আৰোহণ কৰিবলৈ সক্ষম হৈছিল। ❖

## শিক্ষাৰ্থীৰ আখৰা-তলী

**কিতাপৰ নাম : ডাক টিকটৰ সাধু** **লেখক : এছ. পি. চেটাৰ্জী** **অনুবাদ : নচিউৰ ৰহমান**
**প্ৰকাশ : ২০১২ চন** **প্ৰকাশক : নেশ্যনেল বুক ট্ৰাষ্ট, দিল্লী** **মূল্য : ২০.০০ টকা**




ডাক সেৱাক আজি আমি আটায়ে এটা সচৰাচৰ পোৱা সা-সুবিধা হিচাপে গ্ৰহণ কৰিছোঁ। বৰ্তমান ম'বাইল, ইণ্টাৰনেটৰ যুগত ডাক সেৱাৰ ব্যৱহাৰ কমি আহিছে যদিও আজিকোপতি ইয়াৰ গুৰুত্ব অপৰিবৰ্তিত হৈ আছে। ডাক সেৱা বুলি ক'লেই আমাৰ মনলৈ সততে আহে ডাক টিকটৰ কথা। এই ডাক টিকটকেই কেন্দ্ৰ কৰি 'ডাক টিকটৰ সাধু' কিতাপখন লিখি উলিয়াইছে এছ পি চেটাৰ্জীদেৱে। ইংৰাজী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰি নচিউৰ ৰহমানদেৱে কিতাপখন আমাক পঢ়িবলৈ সুযোগ দিছে।

পৃথিৱীত পোনপ্ৰথমবাৰৰ বাবে ডাক টিকট ব্যৱহাৰ হৈছিল বৃটিছ দ্বীপপুঞ্জত ১৮৪০ চনত। ব্ৰাজিল হৈছে ডাক টিকট ব্যৱহাৰ কৰা দ্বিতীয়খন দেশ (১৮৪৩)। লাহে লাহে বিশ্বৰ আন আন দেশবোৰেও ডাক টিকট ব্যৱহাৰ কৰিবলৈ লয়। ১৮৫২ চনত আমাৰ দেশ ভাৰততো প্ৰথমটো ডাক টিকট 'শ্বিণ্ডে ডক্স' প্ৰকাশিত হয়। উল্লেখযোগ্য যে ই সমগ্ৰ এছিয়াৰে প্ৰথমটো ডাক টিকট। ভিন ভিন ৰঙত বুটা বছা ছাব মাৰি ইয়াক ছপোৱা হৈছিল। টিকটটোৰ মাজভাগত আছিল ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতীক চিন, ভোটা আগ থকা এপাট কাঁড়।

স্বাধীনতা লাভৰ পাছৰে পৰা ভাৰতীয় জীৱন আৰু সংস্কৃতিৰ ভিন ভিন দিশবোৰ প্ৰতিফলিত কৰা বিভিন্ন নিৰ্দেশক, সোঁৱৰণিমূলক ডাক টিকট আমাৰ দেশত প্ৰকাশিত হৈছে। এই টিকটসমূহৰ জৰিয়তে আমাৰ বন্য জন্তু, ধৰ্ম, আমাৰ দেশৰ পাঁচ বছৰীয়া পৰিকল্পনাসমূহৰ লগত জড়িত থকা প্ৰসংগ, আমাৰ প্ৰাচীন স্থাপত্য শিল্প, সৰু ল'ৰা-ছোৱালীৰ লগত জড়িত সামাজিক আৰু শিক্ষামূলক বিষয়, ঐতিহাসিক ঘটনাৱলী, এভাৰেষ্ট শৃংগ বিজয় আদিৰ উপৰি স্বাধীনতা যুঁজাৰু, ৰাষ্ট্ৰীয় নেতা, দাৰ্শনিক, পণ্ডিত, শিক্ষাবিদ, বিজ্ঞানী, লেখক, কবি, শিল্পীসকলক ডাক টিকটৰ দ্বাৰা সন্মানিত কৰা হৈছে।

ডাক টিকট সংগ্ৰহ কৰাটো এটা বিশ্বজনীন হেঁপাহৰ বিষয়বস্তু। ডাক টিকট সংগ্ৰহ এতিয়া আৰু অকল এটা চখেই হৈ থকাগৈ নাই, ই এক গভীৰ অধ্যয়নৰো বিষয় হৈ পৰিছে।


ইয়াৰ অধ্যয়নে গৱেষণাকাৰীসকলক বিভিন্ন দেশৰ ভূগোল, ইতিহাস, প্ৰাকৃতিক জীৱন অনুসন্ধান কৰাৰ সুযোগ দিয়ে। ডাক টিকট সংগ্ৰহ কৰাটো বহু লোকৰ চখত পৰিণত হৈছে। টিকট গোটোৱা এই হেঁপাহক 'ফিলাটেলি' বোলে। 'ফিল'ছ' আৰু 'এটিল'ছ' এই দুটা গ্ৰীক শব্দৰ সংযোজনাত 'ফিলাটেলি' শব্দৰ সৃষ্টি হৈছে। 'ফিল'ছ' মানে 'চখ থকা'; 'এইটল'ছ' মানে 'কৰৰ পৰা ৰেহাই'। ময়ো ডাক টিকট সংগ্ৰহ কৰি খুব ভাল পাওঁ। বৰ্তমান ই মোৰ এক চখত পৰিণত হৈছে। ❖


■ **প্ৰিয়াংশু প্ৰীতিশ শৰ্মা**
ষষ্ঠ শ্ৰেণী

# Little Women

■ **Madhusmita Devi**

*Continued from September issue...*




Marmee comes home with a letter from Mr. March, the girls' father, who is serving as a Union chaplain in the Civil War. The letter inspires the girls to bear their burdens more cheerfully and not to complain about their poverty.

On Christmas morning, the girls wake up to find books, probably copies of *The Pilgrim's Progress,* under their pillows. Later that day, Marmee encourages them to give away their breakfast to a poor family, the Hummels. Their elderly neighbour, Mr. Laurence, whom the girls have never met, rewards their charitable activities by sending over a feast. Soon, Meg and Jo are invited to attend a New Year's Party at the home of Meg's wealthy friend, Sally Gardiner. At the party, Jo retreats to an alcove, and there meets Laurie, the boy who lives with Mr. Laurence. While dancing, Meg sprains her ankle. Laurie escorts the sisters home. The Marches regret having returned to their daily routine after the holiday festivities.

Jo visits Laurie when he is sick, and meets his grandfather, Mr. Laurence. She inadvertently insults a painting of Mr. Laurence in front of the man himself. Luckily, Laurie's grandfather admires Jo's spunk, and they become friends. Soon, Mr. Laurence meets all the sisters, and Beth becomes his special favourite. Mr. Laurence gives her his deceased granddaughter's piano.

The girls have various adventures. Amy is caught trading limes at school, and the teacher hits her as punishment. As a result, Mrs. March withdraws her daughter from school. Jo refuses to let Amy go with her to the theatre. In retaliation, Amy burns Jo's manuscript, and Jo, in her anger, nearly lets Amy drown while ice skating. Pretty Meg attends her friend Annie Moffat's party and, after allowing the other girls to dress her up in high style, learns that appearances are not everything. While at the party, she hears that people think she intends to marry Laurie for his money.


The year, the Marches from the Pickwick Club, in which they write a family newspaper. In the spring, Jo smuggles Laurie into one of the club meetings, and he becomes a member, presenting his new circle with a post-box. At the beginning of June, the Marches decide to neglect their housework. At the end of a lazy week, Mamee takes a day off too. The girls spoil a dinner, but everyone ends up laughing over it. One day, Laurie has English friends over, and the Marches go on a picnic with them. ❖

*(Contd.)*

# Why aircraft don't fly in a straight line?

■ Bhaktimala Saikia

Have you ever wondered why aircraft don't fly in a straight line from origin to its destination? When you look at a map, it might seem like airplanes should fly directly from one point to another. However, the truth is that flights often take curved paths. Let's explore some of the main reasons why planes don't just fly in straight lines.




One of the biggest reasons is the Earth itself. Our planet is round, so the shortest distance between two places is actually a curved line called a "great circle route." This is why flights from two places appear to arc across the map. It's the most efficient way to travel long distances.

Another reason is air traffic control. It is crucial for keeping planes safe in the sky.

Weather also plays a significant role in flight paths. Pilots need to consider wind patterns, storms, and other atmospheric factors.

Certain geographical obstacles such as mountains, oceans, and urban areas can affect where planes fly. For safety, flights may need to avoid certain regions or restricted airspaces, leading to longer or more curved routes.

Airlines also aim to save fuel and time. They use advanced flight planning software to find the best routes based on current weather, air traffic, and other factors. These routes might not be straight. ❖

# Why did we stop going to the moon?

In July 1969, humans landed on the Moon for the first time, as part of the Apollo 11 mission. But why haven't we been back since the Apollo 17 mission in 1972?

The Apollo 11 Moon landing in July 1969 was a huge achievement of human endeavour, engineering and science. It was a moment that the world had been waiting for.

Apollo 11 was followed by six further trips to the Moon, five of which landed successfully. 12 men walked on the lunar surface in total. But in 1970 future Apollo missions were cancelled. Apollo 17 became the last crewed mission to the Moon, for an indefinite amount of time. The main reason for this was money.The Apollo program was expensive, and funding priorities shifted towards other areas, such as social programs and the Vietnam War.

Risk was another factor. The dangers associated with space travel became more apparent, leading to increase scrutiny of manned missions.

Another reason was that the excitement around moon landings diminished after multiple successful missions, leading to reduced public and political support. ❖

# আইজাৰ

■ অপৰ্ণা দেৱী




ইণ্ডিয়ান ইন্সটিটিউট অব ছায়েন্স এডুকেছন এণ্ড ৰিছাৰ্চক (Indian Institute of Science Education and Research) চমুকৈ আইজাৰ (IISER) বুলি কোৱা হয়। এই বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ ভাৰতীয় প্ৰতিষ্ঠান বা আইজাৰ হৈছে ভাৰত চৰকাৰে বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ প্ৰসাৰৰ বাবে প্ৰতিষ্ঠা কৰা ভাৰতৰ প্ৰধান গৱেষণা প্ৰতিষ্ঠানসমূহৰ এটা স্বকীয় গোট।

আইজাৰে জৈৱিক, ৰাসায়নিক, গাণিতিক, ভূতাত্ত্বিক, ভৌতিক আৰু পৃথিৱী বিজ্ঞানৰ লগতে কম্পিউটাৰ প্ৰগ্ৰেমিং আৰু সমাজ বিজ্ঞানৰ ৫ বছৰীয়া বিএছ, এমএছ প্ৰগ্ৰেম, এমএছচি, এমএছ (গৱেষণা) সংহত পিএইচডি কাৰ্য্যসূচী আৰু আভিযান্ত্ৰিক বিজ্ঞানৰ পাঠ্যক্ৰম আগ বঢ়ায়।

আমাৰ দেশত বৰ্তমান সৰ্বমুঠ ৭খন আইজাৰ আছে। আইজাৰ কলকাতা, আইজাৰ পুনে, আইজাৰ ম'হালী, আইজাৰ ভূপাল, আইজাৰ থিৰুৱনন্তপুৰম, আইজাৰ তিৰুপতি আৰু আইজাৰ বেৰহামপুৰ। ২০০৬ চনত আইজাৰ কলকাতা আৰু আইজাৰ পুনে, ২০০৭ চনত আইজাৰ ম'হালী, ২০০৮ চনত থিৰুৱনন্তপুৰম আইজাৰ, ২০১৫ চনত তিৰুপতি আইজাৰ আৰু ২০১৬ চনত বেৰহমপুৰ আইজাৰ স্থাপন কৰা হয়।

আইজাৰত শিক্ষা গ্ৰহণ কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পাছত আইজাৰ এপ্‌টিটিউড টেষ্ট (IISER Aptitude Test) নামৰ প্ৰবেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। সাধাৰণতে প্ৰতি বছৰে মে'-জুন মাহত আইজাৰৰ প্ৰবেশ পৰীক্ষা অনুষ্ঠিত হয়। গণিত, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান আদি বিষয় সম্বলিত তিনি ঘণ্টা জোৰা আইজাৰ এপ্‌টিটিউড টেষ্টত দেখুওৱা নম্বৰভিত্তিক পাৰদৰ্শিতাৰ ভিত্তিত এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে আইজাৰত নামভৰ্তিৰ সুযোগ পায়।

আইজাৰৰ উদ্দেশ্য হৈছে বিজ্ঞান আৰু গৱেষণাৰ উচ্চমানৰ শিক্ষা প্ৰদান কৰা, গৱেষণামুখী সংস্কৃতিৰ পোষকতা কৰা তথা দক্ষ বিজ্ঞানী আৰু শিক্ষাবিদ গঢ়ি উঠাৰ পৰিৱেশ ৰচনা কৰা। আইজাৰৰ উমৈহতীয়া শৈক্ষিক কাৰ্য্যসূচীসমূহ হ'ল—

- বিএছ, এমএছ (দ্বৈত বা ডুৱেল ডিগ্ৰী)
- বিজ্ঞানৰ ৫ বছৰীয়া সংহত কাৰ্য্যসূচী।
- পিএইচডি—গৱেষণাভিত্তিক ডক্টৰেট ডিগ্ৰী।
- সংহত পিএইচডি—স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীৰ বাবে।
- প'ষ্ট ডক্টৰেল ৰিছাৰ্চ (post doctoral research) : ডক্টৰেট ডিগ্ৰীৰ পাছৰ গৱেষণা।

আইজাৰ পুনেই আন্তঃশাখা গৱেষণা, উদ্যোগৰ অংশীদাৰিত্বৰ বিষয়ে বিশেষ গুৰুত্ব দিয়ে। আইজাৰ কলকাতাই তাত্ত্বিক বিজ্ঞান, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বিষয়ে বিশেষ গুৰুত্ব দিয়ে। আইজাৰ ম'হালীয়ে শক্তি, পৰিৱেশ, স্বাস্থ্যসেৱাৰ বিষয়ে বিশেষ গুৰুত্ব দিয়ে। আইজাৰ ভূপালে ৰাসায়নবিজ্ঞান, পদাৰ্থবিজ্ঞানৰ গৱেষণাত বিশেষ গুৰুত্ব দিয়ে। ঠিক সেইদৰে আইজাৰ তিৰুপতি আৰু আইজাৰ থিৰুৱনন্তপুৰমে ভৌতিক বিজ্ঞান, সামগ্ৰী গৱেষণাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এনে ধৰণৰ বৈশিষ্ট্যসমূহে আইজাৰ প্ৰতিষ্ঠানসমূহক অনন্য ৰূপ দিছে।

আইজাৰসমূহৰ গৱেষণা সম্পৰ্কীয় বৈশিষ্ট্যসমূহ হ'ল—

## প্ৰখ্যাত শিক্ষানুষ্ঠান

- অত্যাধুনিক গৱেষণাৰ সুবিধা।
- আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সৈতে সহযোগিতামূলক গৱেষণা।
- জলবায়ু পৰিবৰ্তন, শক্তি, স্বাস্থ্যসেৱা আদি ক্ষেত্ৰসমূহত গুৰুত্ব আৰোপ।
- চৰকাৰী আৰু ব্যক্তিগত সংস্থাৰ পৰা গৱেষণাৰ ধন লাভ কৰা।

আইজাৰসমূহৰ আন্তঃগাঁথনি সম্পৰ্কীয় বৈশিষ্ট্যসমূহ হ'ল—


- আধুনিক পৰীক্ষাগাৰ আৰু সা-সঁজুলি।
- উন্নত গণনাৰ সুবিধা।
- উন্নত পুথিভঁৰাল।
- ক্ৰীড়া আৰু বিনোদনৰ সুবিধা।
- সমগ্ৰ চৌহদতে ৱাই-ফাইৰ সুবিধা আৰু উন্নত আন্তঃগাঁথনি।

আইজাৰসমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে এক বৈচিত্ৰ্যময় ছাত্ৰ সমাজ লাভ কৰে। ঔদ্যোগীকৰণ আৰু উদ্ভাৱনৰ বাবে এক ধৰণৰ পৰিবেশ লাভ কৰে। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বহুতো ক্লাব আৰু সংগঠন পৰিচালিত হয়। ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন মেণ্টৰশ্বিপ কাৰ্য্যসূচীৰ ব্যৱস্থা থাকে। বিভিন্ন সাংস্কৃতিক আৰু পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্য্যসূচীয়ে আইজাৰৰ ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক স্বাস্থ্য অটুট ৰখাত সহায় কৰে। ❖

## প্ৰখ্যাত সাহিত্যিক

# মাৰ্ক টোৱেইন

■ নেহা বৰা



বিখ্যাত আমেৰিকান লেখক মাৰ্ক টোৱেইনৰ ১৮৩৪ চনৰ ৩০ নৱেম্বৰত আমেৰিকাৰ ফ্ল'ৰিডা চহৰত জন্ম হৈছিল। তেওঁৰ প্ৰকৃত নাম ছেমুৱেল লেংহৰ্ন ক্লীমেন্স। তেওঁ ব্যৱসায়ী তথা উকীল জন লেম্পটন ক্লীমেন্স আৰু জনৰ পত্নী জেন লেম্পটন ক্লীমেন্সৰ সাতোটা সন্তানৰ ভিতৰত ষষ্ঠ সন্তান আছিল। দুমাহ আগতীয়াকৈ জন্ম হোৱা ছেমুৱেল জীৱনৰ প্ৰথমছোৱাত দুৰ্বল স্বাস্থ্যৰ আছিল।

ছেমুৱেলৰ চাৰি বছৰ বয়সত তেওঁলোক সপৰিয়ালে মিচিচিপি নদীৰ হেনিবেল চহৰলৈ উঠি যায়। মিচিচিপি নদীৰ হেনিবেলৰ সৰু বন্দৰত চলা নাওবিলাক (ৰিভাৰব'ট) চাই ছেমুৱেলে বৰ ভাল পাইছিল আৰু ৰিভাৰব'টৰ চালক হোৱাৰ সপোনো দেখিছিল। ল'ৰালিকালত হেনিবেলৰ পৰিবেশত ডাঙৰ-দীঘল হোৱাৰ ঘটনাৱাজিয়েই ছেমুৱেলৰ বিখ্যাত গ্ৰন্থ 'এডভেঞ্চাৰছ অৱ টম শ্বায়াৰ' (১৮৭৬) আৰু 'এডভেঞ্চাৰ অৱ হাকলবাৰী ফিন'ৰ (১৮৮৫) পটভূমি আছিল। পাছলৈ এই দুখন গ্ৰন্থক 'বিখ্যাত আমেৰিকান গ্ৰন্থ' আখ্যা দিয়া হৈছিল।

ছেমুৱেলৰ বাল্যকাল আনন্দকৰ নাছিল। সেই সময়ত বেমাৰত পৰি মৃত্যু হোৱা ঘটনা অতি সাধাৰণ আছিল। ছেমুৱেলৰ চাৰি বছৰ নৌহওঁতেই ভনীয়েক মাৰ্গাৰেট আৰু তাৰ তিনি বছৰ পাছত ককায়েক বেঞ্জামিনৰ মৃত্যু হয়। ১৮৪৯ চনত পিতৃ জন ক্লীমেন্সৰ নিউম'নিয়া ৰোগত মৃত্যু হোৱাৰ পাছত পৰিয়ালটোৰ বিত্তীয় অৱস্থা বেয়া হৈ পৰিছিল। ঋণ পৰিশোধৰ হেঁচাত তেওঁলোক থকা ঘৰ-মাটি, আচবাব আনকি একমাত্ৰ

দাসীগৰাকীকো বেচিব লগা হৈছিল। ছেমুৰেলে ছপাশালত এপ্ৰেণ্টিছ হিচাপে কৰ্মজীৱন আৰম্ভ কৰি মুদ্ৰালিপিকাৰৰ কাম কৰিছিল আৰু লগতে ককায়েক অ'ৰিয়নৰ বাতৰি কাকতত প্ৰবন্ধ লিখিছিল। অৱশ্যে পাছলৈ তেওঁ মিচিচিপিৰ ৰিভাৰব'টৰ চালক হৈ ল'ৰালিৰ সপোন সাৰ্থক কৰিছিল। ব'টৰ মুৰব্বীজনে জাহাজখন নিৰাপদ স্থান পালে 'মাৰ্ক টোৱেইন' বুলি চিঞৰিছিল। যাৰ অৰ্থ আছিল নদীৰ পানী দুই 'ফেথম' মানে ১২ ফুট দ। ছেমুৰেলে তেতিয়াৰ পৰাই 'মাৰ্ক টোৱেইন' ছদ্মনাম হিচাপে গ্ৰহণ কৰি লেখা-মেলা আৰম্ভ কৰিছিল।

পাছলৈ তেওঁ ৰিভাৰব'ট চালকৰ কামৰ পৰা অব্যাহতি লৈ নেভেদা চহৰত বাস কৰা ককায়েক অ'ৰেৱনৰ লগত থাকিবলৈ লৈছিল। কিশোৰ অৱস্থাত কেলিফ'ৰ্নিয়াত মাইনিঙৰ কামত থাকোঁতে শুনা কাহিনীবোৰ খুহুতীয়াকৈ লিখি 'দ্য চেলিব্ৰেটেড জাম্পিং ফ্ৰগ অৱ কেলেভাৰাছ কাণ্ট্ৰি' নামেৰে প্ৰকাশ কৰিছিল। তেওঁৰ বুদ্ধিমত্তা আৰু হাস্য-ব্যংগভৰা লিখনিৰ সকলোৱে প্ৰশংসা কৰিছিল।

মাৰ্ক টোৱেইনৰ জন্ম হেলীৰ ধূমকেতু অহাৰ কেইদিনমানৰ পাছতে হৈছিল আৰু তেওঁ আকৌ পুনৰ হেলীৰ ধূমকেতু অহাৰ লগতে নিজৰ মৃত্যু হ'ব বুলি ভৱিষ্যৎবাণী কৰিছিল। সঁচাকৈয়ে হেলীৰ ধূমকেতু পুনৰ ঘূৰি অহাৰ পাছদিনা অৰ্থাৎ ১৯১০ চনৰ ২১ এপ্ৰিলত টোৱেইনৰ মৃত্যু হৈছিল। টোৱেইনক 'গ্ৰেটেষ্ট এমেৰিকান হিউমাৰিষ্ট অৱ দিজ এজ' আখ্যা দিয়া হৈছিল। উইলিয়াম ফকন'ৰে টোৱেইনক 'দা ফাদাৰ অৱ এমেৰিকান লিটাৰেচাৰ' আখ্যা দিছিল। 'দ্য ইন'চেণ্টছ এব্ৰ'দ' (১৮৬৯), 'ৰাফিং ইট' (১৮৭২) আৰু 'লাইফ অন দ্য মিচিচিপি' (১৮৮৩) আদি তেওঁৰ উল্লেখযোগ্য ভ্ৰমণ কাহিনী।

১৮৯৬ চনত মাৰ্ক টোৱেইন বেনাৰসলৈ আহিছিল। জানুৱাৰীৰ পৰা এপ্ৰিললৈ তেওঁ ভাৰতৰ কেইবাখনো চহৰ ভ্ৰমণ কৰিছিল। বেনাৰসৰ গংগাঘাটৰ বিভিন্ন অলি-গলিত ফুৰা-চকাৰ উপৰি সাধু-সন্ন্যাসীসকলকো লগ ধৰিছিল। বেনাৰসত হিন্দু ধৰ্ম আৰু সংস্কৃত শিক্ষাৰ অপূৰ্ব পদ্ধতি দেখা পাই তেওঁ নিজা দিনলিপিত বেনাৰসক 'অক্সফ'ৰ্ড অৱ ইণ্ডিয়া' আখ্যা দিছিল। ❖

## তোমালোকে জানানে?


# জিব্ৰাল্টৰ প্ৰণালীক 'ভূমধ্য সাগৰৰ চাবি' বুলি কোৱা হয় কিয়?




জিব্ৰাল্টৰ প্ৰণালী (Strait of Gibraltar) হ'ল উত্তৰ আফ্ৰিকা আৰু স্পেইনৰ মাজত অৱস্থিত সংকীৰ্ণ প্ৰণালী। (দুই ভূখণ্ডৰ মাজৰ ঠেক জলভাগকে প্ৰণালী বোলে।) এই প্ৰণালীয়ে উত্তৰ আটলাণ্টিক মহাসাগৰ আৰু ভূমধ্য সাগৰ সংযোগ কৰিছে। সেয়ে ইয়াক 'ভূমধ্য সাগৰৰ চাবি' বুলি কোৱা হয়। জিব্ৰাল্টৰ প্ৰণালী পূবা-পশ্চিমাকৈ প্ৰায় ৫৮ কিল'মিটাৰ দীঘল আৰু উত্তৰা-দক্ষিণাকৈ ১৫ কিল'মিটাৰ বহল। বৃটেইন, ফ্ৰান্স, জাৰ্মানী, স্পেইন আৰু উত্তৰ-পশ্চিম ইউৰোপৰ অন্যান্য দেশসমূহৰ পৰা বাণিজ্যিক জাহাজবোৰ এই প্ৰণালীয়েদি আহি ছুৱেজ খাল অতিক্ৰম কৰি মধ্যপ্ৰাচ্য, দক্ষিণ এছিয়া, দক্ষিণ-পূব এছিয়া, চীন আৰু অষ্ট্ৰেলিয়ালৈ যায়। সেয়েহে ব্যৱসায়-বাণিজ্য আৰু যাতায়াতৰ বাবে জিব্ৰাল্টাৰ প্ৰণালী গুৰুত্বপূৰ্ণ। ইয়াক বৃটেইনৰ প্ৰাচ্য প্ৰৱেশ দুৱাৰ বুলিও জনা যায়। ❖

*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ 'কি ক'ত কিয় কোন আৰু কেতিয়া'।*

# আছিল এটি অচিন গুটি




হিন্দী ভাষাৰ শিশু সাহিত্যিক সমীৰ গাংগুলীৰ শিশু উপযোগী এখন বৰ ধুনীয়া কিতাপ আছে। কিতাপখনৰ নাম—‘এক থা দানা অনজানা’। কিতাপখন অসমীয়া ভাষালৈ ‘আছিল এটি অচিন গুটি’ নামেৰে অনুবাদ কৰিছে কুলদীপ শইকীয়াই। এখন দোকানত থকা বিবিধ শস্যৰ ৰসাল কাহিনী সম্বলিত কিতাপখনত গভীৰ উপলব্ধি ভৰা কেতবোৰ গুৰুত্বপূৰ্ণ কথাও আছে।

শস্যৰ বজাৰ এখনৰ ভিতৰত ‘ধনীৰামৰ দোকান’ নামেৰে এখন বিশেষ দোকান আছিল। তেওঁৰ দোকানত ঘৰৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুৱেই পোৱা যায়। দুপৰীয়া দোকানতে ঘৰৰ পৰা অনা খাদ্যৰে আহাৰ গ্ৰহণ কৰাৰ পাছত ধনীৰামে জিৰণি লয়। সেই সময়তে দোকানত আন এখন জগতে সাৰ পাই উঠে। ধনীৰামৰ নাকৰ ঘোৰ্ঘৰণি আৰম্ভ হ’লেই এজনী দুষ্ট ছোৱালী, এটা শকত নিগনি দোকানলৈ দৌৰি আহে আৰু বিচিত্ৰ কৰ্মকাণ্ড কৰিবলৈ লয়। আচল কাহিনী আৰম্ভ হয় দোকানীজন শুই থকাৰ সময়ত অহা ঘৰচিৰিকা এজনীৰ কামৰ পৰা। চৰাইজনীয়ে দোকানখনত থকা শস্যবোৰক ধমকি দিবলৈ লয় আৰু ভয় খুৱাই কয়—“কেঁচাই কেঁচাই তহঁতক চোবাই পেলাম !” প্ৰতিদিনেই চৰাইজনী আহে; বুট, মটৰ, মাটিমাহ, মচুৰ, ৰহৰ দাইল আদি শস্যবোৰক ভয় খুৱায় আৰু শস্যবোৰ নিজৰ ইচ্ছামতে খাবলৈ লয়। চৰাইজনীৰ এনে অতপালিত শস্যবোৰ অতিষ্ঠ হৈ পৰিল। অৱশেষত এদিন বুটমাহে প্ৰতিবাদ কৰিলে—“তুমি সদায় যি মন যায় তাকে কৰা, সদায় আমাক খোৱা। কেতিয়াবাতো ঋণ পৰিশোধ কৰাৰ কথা ভাবা। আমাৰ স্বাধীনতাৰ কথা ভাবা। নিৰ্বংশ হোৱাৰ পৰা আমাক ৰক্ষা কৰা।” বাকীবোৰ শস্যয়ো আপত্তি কৰাত ঘৰচিৰিকা চৰাইজনী বিমোৰত পৰিল। শস্যবোৰক নিৰ্বংশ হোৱাৰ পৰা কেনেকৈ ৰক্ষা কৰিব সেই বিষয়ে উপায় ভাবিবলৈ ধৰিলে। অৱশেষত সিদ্ধান্ত হ’ল যে চৰাইজনীয়ে প্ৰতিদিনে প্ৰতিটো বস্তাৰ পৰা এটা-দুটা গুটি বাছি নদীৰ পাৰলৈ লৈ যাব আৰু মাটিত গুঁজি দিব। বৰষুণ হ’লে সেই গুটিবোৰ গজি উঠিব। এনেদৰে চৰাইজনীয়ে আটাইবোৰ শস্যৰে বীজ নি নি শেষ কৰোঁতে এদিন দোকানৰ একোণৰ পৰা তেনেই খীণ-মীন আৰু শেঁতা ৰঙৰ এটা গুটিয়ে চৰাইজনীক তেওঁকো লগত লৈ যাবলৈ অনুৰোধ কৰিলে। নিজৰ পৰিচয়, ৰূপ-গুণ সম্পৰ্কে একোকে নজনা গুটিটো দেখি আনবোৰ গুটিয়ে ঠাট্টা কৰিবলৈ ধৰিলে। কিন্তু চৰাইজনীয়ে দয়া কৰি সেই গুটিটো আৰু তাৰ নিচিনা একে তিনিটা অশুৱনি গুটি লগত লৈ গ’ল।

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

প্ৰায় তিনিমাহমানৰ পাছত ঘৰচিৰিকা চৰাইজনী ঘূৰি আহিল। তেতিয়া শীতৰ দিন আছিল। আহিয়েই চৰাইজনীয়ে শস্যবোৰক ভাল খবৰটো জনাই ক'লে যে তেওঁ লৈ যোৱা গুটিবোৰ সেউজীয়া পুলি হৈ নতুন জনম লৈছে। পুলিবোৰে মাটিৰ পৰা পানী, খনিজ, সাৰ আদি শুহি ডাঙৰ-দীঘল হৈছে। চৰাইজনীৰ কথা শুনি শস্যৰ গুটিবোৰ বৰ সুখী হ'ল। কেৱল মন মাৰি থাকিল এটি অশুৰনি গুটি। চৰাইজনীয়ে গুটিটোক খবৰ দিলে যে তাৰ ভাইটিক এতিয়া সকলোৱে চিনি পাইছে। সেই অকণমানি গুটিটো এতিয়া এডাল বৰগছ হ'ল আৰু দিনকদিনে বাঢ়ি গৈ আছে। চৰাইজনীৰ কথা শুনি শস্যবোৰ আচৰিত হ'ল। বুটমাহে খঙেৰে ক'লে—"আমাতকৈ ১০০ গুণে সৰু, ক'লা-ম'লা গুটিটোৰ মাজত ইমান ডাঙৰ গছ কেনেকৈ থাকিব?" এই কথাৰ উত্তৰস্বৰূপে চৰাইজনীয়ে কোৱা কথাটো আছিল বৰ তাৎপৰ্য্যপূৰ্ণ।—"এয়াই তোমালোক সকলোৰে বাবে এক শিক্ষা। তোমালোকে তাক কোনোদিনে দেখা পোৱা নাছিলা, সি ভিতৰি ভিতৰি অতি বিশাল। তোমালোক সকলোতকৈ ডাঙৰ। মনত ৰাখিবা, বৰগছৰ কেৱল গা ডাঙৰেই নহয়, অন্তৰখনো বহুত উদাৰ। বৰগছে অনেক পশু-পক্ষীক আশ্ৰয় দিয়ে, ফল দিয়ে, বতাহ নিকা কৰে, ছাঁ দিয়ে আৰু শ শ বছৰ জীয়াই থাকে।"

ঘৰচিৰিকাজনীৰ কথা শুনি বিস্মিত হোৱা শস্যবোৰ লজ্জিতও হ'ল। সকলোৱে অচিন গুটিটোক সাবটি ধৰিলে। কাহিনীটোৱে আমাক এই উপলব্ধিও দিলে যে বাহিৰৰ পৰা আকাৰ-অৱয়ব দেখিয়েই আমি কোনো মানুহৰ প্ৰতিভা অথবা সম্ভাৱনাক বুজিব নোৱাৰোঁ। বাহিৰত নিচেই সাধাৰণ যেন লগা মানুহ এজনো অলেখ গুণৰ অধিকাৰী হ'ব পাৰে। কিতাপখন প্ৰকাশ কৰিছে নেশ্যনেল বুক ট্ৰাষ্টে। মূল্য ৮৫ টকা। ❖

## আন্তৰ্জাতিক অহিংসা দিৱস

জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম দিনটো অৰ্থাৎ ২ অক্ট'বৰৰ দিনটো বিশ্বজুৰি আন্তৰ্জাতিক অহিংসা দিৱস হিচাপে পালন কৰা হয়। ভাৰতত এই দিনটো গান্ধী জয়ন্তী হিচাপেও উদ্‌যাপন কৰা হয়।

আন্তৰ্জাতিক অহিংসা দিৱস উদ্‌যাপনৰ আঁৰত এক ইতিহাস আছে। ২০০৪ চনৰ জানুৱাৰী মাহত ইৰানৰ ন'বেল বঁটা বিজয়ী শ্বিৰীণ ইবাদীয়ে হিন্দী ভাষাৰ শিক্ষক এজনৰ পৰা আন্তৰ্জাতিক অহিংসা দিৱসৰ ধাৰণা লাভ কৰে। এই ধাৰণাৰ প্ৰতি ভাৰতৰ কংগ্ৰেছ দলৰ কিছুসংখ্যক নেতা আকৃষ্ট হৈছিল। ২০০৭ চনৰ জানুৱাৰী মাহত ভাৰতৰ নতুন দিল্লীত অনুষ্ঠিত হোৱা এক সত্যাগ্ৰহ সভাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধী আৰু ন'বেল বঁটা বিজয়ী ডেছমণ্ড টুটুৱে ৰাষ্ট্ৰসংঘক এই দিৱসৰ ধাৰণা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ২০০৭ চনৰ ১৫ জুন তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ

সভাই ভোটৰ যোগেৰে ২ অক্ট'বৰৰ দিনটো আন্তৰ্জাতিক অহিংসা দিৱসৰূপে ঘোষণা কৰে।

সাধাৰণ সভাই ২ অক্ট'বৰত শিক্ষাৰ যোগেৰে অহিংসাৰ উপযুক্ত বাৰ্তা বহন কৰা আৰু সমাজ সচেতনতা অনাৰ বাবে সকলো সদস্য ৰাষ্ট্ৰক আহ্বান জনায়। ৰাষ্ট্ৰসংঘৰ প্ৰশাসনিক ডাক বিভাগে ভাৰতীয় দূতাবাসৰ অনুৰোধত নিউইয়ৰ্ক চহৰত এক বিশেষ টিকট উন্মোচন কৰে। এই টিকট জেনেভা আৰু ভিয়েনাৰ বাহিৰে আন সকলো ঠাইতে প্ৰযোজ্য হয়। এই টিকট ২ অক্ট'বৰৰ পৰা ৩১ অক্ট'বৰলৈ ৰাষ্ট্ৰসংঘৰ প্ৰশাসনিক ডাক বিভাগৰ প্ৰতিখন চিঠি বা বাৰ্তাত সংযোজিত হৈ থাকে।

উল্লেখযোগ্য যে স্বাধীনতা আন্দোলনত অহিংস পন্থাৰে গান্ধীজীয়ে দেশক নেতৃত্ব দিছিল। গান্ধীজীৰ অহিংসাৰ আদৰ্শই বিশ্বৰ বিভিন্ন লোকক অনুপ্ৰাণিত কৰি আহিছে। ❖

## ঐতিহ্যমণ্ডিত ঢেঁকীয়াখোৱা বৰনামঘৰ




অসমৰ ঐতিহ্যমণ্ডিত নামঘৰসমূহৰ ভিতৰত যোৰহাট জিলাত অৱস্থিত ঢেঁকীয়াখোৱা বৰনামঘৰো অন্যতম। যোৰহাট নগৰৰ পৰা প্ৰায় ১৫ কিল'মিটাৰ পূবত অৱস্থিত এই নামঘৰটো মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰিছিল। প্ৰাপ্ত তথ্য অনুসৰি ১৫২৮ চনত (১৪৫০ শক) এই নামঘৰ প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰবাদ অনুসৰি মহাপুৰুষ মাধৱদেৱে এই অঞ্চলৰে এহাল ভিক্ষাৰী বুঢ়া-বুঢ়ীৰ ঘৰত ঢেঁকীয়া শাকৰ আঞ্জাৰে ভাত খাই বৰ তৃপ্তি লাভ কৰিছিল। সেই ঢেঁকীয়া খোৱাৰ পৰাই এই নামঘৰটোৰ লগতে অঞ্চলটোৰ নাম ঢেঁকীয়াখোৱা হয়। মহাপুৰুষজনাই সেই ঠাই ত্যাগ কৰাৰ কিছুদিনৰ পাছত বুঢ়া-বুঢ়ীহালৰ মৃত্যু হোৱাত ৰাইজে সেই ঠাইতে এটা খেৰ-বাঁহৰ নামঘৰ সাজি বুঢ়া নামঘৰ নাম দিলে আৰু প্ৰত্যেক বছৰৰ ভাদ মাহত গুৰুজনাৰ আৰ্হিৰে পালনাম গাবলৈ ধৰিলে। এসময়ত কাঠ-বাঁহেৰে নিৰ্মিত এই নামঘৰেই কালক্ৰমত ঢেঁকীয়াখোৱা বৰনামঘৰ হিচাপে প্ৰখ্যাত হয়।

মাধৱদেৱে এই স্থানতে এগছি মাটিৰ চাকি জ্বলাইছিল। এই চাকিগছি সুদীৰ্ঘ ৪৮৪ বছৰ ধৰ্মপ্ৰাণ ৰাইজে তেল-শলিতা দি জ্বলাই ৰাখিছে। এই নামঘৰটোৰ মুঠ মাটিকালি ১১ বিঘা। প্ৰতি বছৰৰ ভাদ মাহত ইয়াত চাৰি প্ৰসংগীয়া পালনাম অনুষ্ঠিত হয়। অগণন ভক্তৰো সমাবেশ ঘটে। সেয়ে ভাদ মাহত ঢেঁকীয়াখোৱা বৰনামঘৰ মৰ্ত্যৰ বৈকুণ্ঠপুৰীলৈ পৰিণত হয় বুলি লোকবিশ্বাস প্ৰচলিত। নামঘৰটো পৰিচালনা কৰিবৰ বাবে এখন পৰিচালনা সমিতি আছে। ১৯৫৯ চনত স্থাপিত সমিতিখনে নামঘৰটোৰ উন্নয়নৰ বাবে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰি আহিছে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শি□াৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শুৱলা ভাষা

আমি সততে ভুল কৰি থকা কেইটিমান শব্দৰ শুদ্ধ মান্য ৰূপ এনে ধৰণৰ—

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| ক্ৰুটি | ত্ৰুটি | মোৰ দোষ-ত্ৰুটিবোৰ মাৰ্জনা কৰিব। |
| লিখক | লেখক | লেখকজনৰ ভাষা বৰ উচ্চমানৰ। |
| ভূল | ভুল | ল'ৰাটোৱে বহুত বানান ভুল কৰিছে। |
| অকণমাণ | অকণমান | মোক অকণমান নিমখ দিয়াচোন। |
| অকালপক্ক | অকালপক্ক | অকালপক্ক ল'ৰাটোৰ লগত কথা পাতি অলপো ভাল নালাগে। |
| যোনে | যিয়ে | যিয়ে যিয়ে উত্তৰটো লিখা নাই এতিয়া লিখি লোৱা। ❖ |

## জনা গাভৰুৰ গীত

অসমীয়া লোকগীতসমূহৰ ভিতৰত 'জনা গাভৰুৰ গীত'ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই গীতসমূহ একপ্ৰকাৰৰ আখ্যানমূলক লোকগীত। প্ৰাচীন অসমীয়া লোকগীতসমূহৰ ভিতৰত এইসমূহ গীত আটাইতকৈ পুৰণি। জনশ্ৰুতি অনুসৰি, জনা গাভৰু আছিল বৰ্তমানৰ নগাঁৱৰ কামপুৰৰ গৰুচৰ বা গৰুবাট ৰাজ্যৰ ৰাণী। অবিবাহিত জনাই এবাৰ ঘোষণা কৰিলে যে তেওঁ এনে এজন কোঁৱৰক বিয়া কৰাব, যিয়ে তিনিটা পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱৰাজনক প্ৰাণদণ্ড দিয়া হ'ব। জনা গাভৰুৰ ৰূপৰ মোহত আৰু জনাৰ ৰাজ্য লাভৰ লোভত শ শ কোঁৱৰ আহে; কিন্তু জনাৰ পৰীক্ষাত অনুত্তীৰ্ণ হৈ মৃত্যুদণ্ডৰ আদেশ লৈ বন্দিত্বক সাবটি ল'বলগীয়া হয়। এনেদৰে জনাই নশ কোঁৱৰক বন্দী কৰি থৈছিল। অৱশেষত গোপীচন নামৰ এজন কোঁৱৰে জনাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁক বিয়া কৰায় আৰু বন্দী হৈ থকা নশ কোঁৱৰক মুক্তি দিয়ে। জনা গাভৰুৰ গীতত এই কাহিনীকে বৰ্ণনা কৰা হৈছে। ইয়াত জনাৰ নিষ্ঠুৰতা আৰু গোপীচন কোঁৱৰৰ চতুৰ কৌশলৰ সৰল আৰু মনোগ্ৰাহী বৰ্ণনা আছে। তদুপৰি গীতটিত কেঁচাইখাতী গোসাঁনী, বাসুদেৱৰ থান, দিকপাল দেৱতা, চন্দ্ৰ-সূৰ্য্য দেৱতা আদিৰো উল্লেখ থকা দেখা যায়। সাহিত্যিক মূল্য থকা এই গীতি-কাব্যৰ ঐতিহাসিক গুৰুত্বও আছে। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'সংক্ষিপ্ত অসম বুৰঞ্জী কোষ')*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শি ার্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| দোলক, ওলোম | pendulum | প্ৰাসংগিক | pertinent, |
| পিয়ন | peon | | relevant |
| পৰিৱেশন | perform | বিচলিত কৰা | perturb |
| সাময়িক পত্ৰিকা | periodicals | মানৱ প্ৰেম | philanthropy |
| যুগমীয়া | perennial | দৰ্শন | philosophy |
| অবিৰাম | perpetual, | তীৰ্থযাত্ৰী | pilgrim |
| | incessant | বিমান চালক, বৈমানিক | pilot |
| লম্ব | perpendicular | পদাৰ্থবিজ্ঞান | physics |
| বিভ্ৰান্ত কৰা | perplex | জেপলুৰুকা, পকেটমাৰ | pickpocket |
| উৎপীড়ন কৰা | persecute | ধৰ্মঘট | picketing |
| অধ্যৱসায় | perseverance | অগ্ৰণী, বাটকটীয়া | pioneer |
| অনুজ্ঞা পত্ৰ | permit | জলদস্যু | pirate |
| ব্যক্তিগত | personal | শান্ত, প্ৰশান্ত | placid |
| কীটনাশক | pesticide | কুম্ভীলক বৃত্তি | plagiarism |
| আবেদন | application | গুচৰীয়া | plaintiff |
| ৰাজী কৰোৱা, মনোৱা | persuade | পদকীয়া, বিবাদী | defendant ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ জাতীয় গছ



**নাৰিকল গছ (ইংৰাজী :** Coconut tree), বৈজ্ঞানিক নাম : *Cocos nucifera*। নাৰিকল গছ হৈছে কেৰালাৰ জাতীয় গছ। নাৰিকল এৰেকেচিয়া (Arecaceae) পৰিয়ালৰ অন্তৰ্ভুক্ত এবিধ উদ্ভিদ। এইবিধ উদ্ভিদ ক্ৰান্তীয় উপকূল অঞ্চলত যথেষ্ট পৰিমাণে পোৱা যায়। নাৰিকল গছ সমগ্ৰ দক্ষিণ গোলাৰ্ধত আৰ্দ্ৰ আৰু গৰম ঠাইত পোৱা যায়। এইবিধ গছ দক্ষিণ এছিয়া, ভাৰত, পলিনেচিয়ান অঞ্চল, কেৰিবিয়ান দ্বীপপুঞ্জ, মাদাগাস্কাৰ আদি ঠাইত স্থানীয়ভাৱে হয়। বিভিন্ন ধৰণৰ পুষ্টিৰে সমৃদ্ধ নাৰিকল গছক খাদ্য, ইন্ধন, প্ৰসাধন সামগ্ৰী, ঔষধ, নিৰ্মাণ সামগ্ৰী ইত্যাদি হিচাপে ব্যৱহাৰ কৰা হয়। নাৰিকল গছৰ ফলত বহু ধৰণৰ উপাদান, যেনে—ভিটামিন, খনিজ পদাৰ্থ, আঁহজাতীয় পদাৰ্থ ইত্যাদি যথেষ্ট পৰিমাণে পোৱা যায়। নাৰিকলৰ কেঁচা অৱস্থা অৰ্থাৎ ডাব নাৰিকলৰ পানী সেৱন কৰিলে আমি গৰমৰ পৰা পৰিত্ৰাণ পোৱাৰ লগতে বিভিন্ন ৰোগৰ পৰা হাত সাৰিব পাৰোঁ। নাৰিকলৰ তেল প্ৰসাধন সামগ্ৰীৰ লগতে ঔষধি হিচাপেও ব্যৱহৃত হয়। এইবিধ ফলে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। ❖

**আম গছ (ইংৰাজী :** Mango tree), বৈজ্ঞানিক নাম : *Mangifera indica*। আম গছ হৈছে মহাৰাষ্ট্ৰৰ জাতীয় গছ। এই আম গছ এনাকাৰডিয়েচিয়া (Anacardiaceae) পৰিয়ালৰ অন্তৰ্ভুক্ত এবিধ উদ্ভিদ। এইবিধ গছ দক্ষিণ এছিয়াত স্থানীয়ভাৱে পোৱা যায়। এইবিধ গছে বাংলাদেশ আৰু ফিলিপাইনছৰো 'ৰাষ্ট্ৰীয় বৃক্ষ' হিচাপে স্বীকৃতি পাইছে। আম এবিধ বৃক্ষজাতীয় উদ্ভিদ। ইয়াৰ উচ্চতা প্ৰায় 35ৰ পৰা ৪০ মিটাৰ পৰ্য্যন্ত হ'ব পাৰে। এইবিধ গছ বহুবৰ্ষজীৱী। আম গছৰ পাত চিৰসেউজীয়া আৰু সৰল। আম খালে শৰীৰৰ প্ৰতিৰোধ ক্ষমতা আৰু পাচন শক্তি বৃদ্ধি পায়। আমত ভিটামিন চি আৰু ফাইবাৰ প্ৰচুৰ পৰিমাণে থাকে। নিতৌ এগিলাছ আমৰ ৰস গ্ৰহণ কৰিলে এনিমিয়া ৰোগ নহয়। আমৰ বহুতো ঔষধি গুণ থকাৰ বাবে আমক ফলৰ ৰজা বুলি কোৱা হয়। আম কেঁচা আৰু পকা দুই অৱস্থাতে খাব পাৰি। অসমত আমৰ বহুকেইটা প্ৰজাতি দেখিবলৈ পোৱা যায়। আম সাধাৰণতে গ্ৰীষ্মৰ শেষ আৰু বৰ্ষা ঋতুত পকে যদিও ব'হাগ মাহৰ পৰাই বজাৰত আম উপলব্ধ হয়। ❖

# বাংলাদেশ : অতীত আৰু বৰ্তমান

■ প্ৰণীতা দেৱী



যোৱা ৫ আগষ্টৰ কথা। একেৰাহে ১৫ বছৰৰো অধিক সময় চুবুৰীয়া বাংলাদেশৰ শাসনত অধিষ্ঠিত হৈ থকা শ্বেইখ হাছিনাই এখন বিশেষ বিমানযোগে নতুন দিল্লীত অৱতৰণ কৰে। অৱশ্যে তেওঁ কোনো আনুষ্ঠানিক বা চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতলৈ অহা নাছিল। দেশখনত হৈ থকা প্ৰতিবাদী কাৰ্য্যসূচী, হিংসা-প্ৰতিহিংসাৰ মাজত প্ৰাণৰ সংশয়ত তেওঁ আশ্ৰয় লৈছিলহি ভাৰতত।

শ্বেইখ হাছিনা হৈছে স্বাধীন বাংলাদেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি তথা দেশখনৰ মুক্তি যুদ্ধৰ প্ৰধান নেতা বংগবন্ধুখ্যাত শ্বেইখ মুজিবুৰ ৰহমানৰ কন্যা। বৃটিছ শাসনৰ পৰা মুক্ত হোৱাৰ সময়ত বাংলাদেশ পাকিস্তানৰ অন্তৰ্ভুক্ত হৈছিল। ভৌগোলিকভাৱে পাকিস্তানৰ ভূখণ্ডৰ পৰা বিচ্ছিন্ন এই অংশটোক পূব পাকিস্তান নামেৰে জনা গৈছিল। বৰ্তমানৰ পাকিস্তানক পশ্চিম পাকিস্তান বোলা হৈছিল। ভাষাৰ ক্ষেত্ৰতো দুয়োটা ভূখণ্ডৰ লোকসকলৰ মাজত মিল নাছিল। পূব পাকিস্তান মূলতঃ বাংলাভাষী লোকক লৈ গঠন হৈছিল যদিও পশ্চিম পাকিস্তানে তেওঁলোকৰ ওপৰত উৰ্দু ভাষা জাপি দিছিল। দুয়োটা ভূখণ্ডৰ লোকসকলৰ মাজত সাংস্কৃতিক আৰু আদৰ্শগত পাৰ্থক্য থকাৰ লগতে পূব পাকিস্তানত অৰ্থনৈতিক বিনিয়োগৰ পৰিমাণো পশ্চিম পাকিস্তানৰ তুলনাত কম আছিল। ১৯৭১ চনত দেশখনত ৰাজনৈতিক দল আবামী লীগে জয়লাভ কৰিছিল। কিন্তু এই বিজয়ক পশ্চিম পাকিস্তান শাসকগোষ্ঠীয়ে গ্ৰহণ কৰা নাছিল। ফলস্বৰূপে পাকিস্তানী সামৰিক বাহিনীয়ে ইয়াহয়া খানৰ আদেশত পূব পাকিস্তানৰ লোকসকলৰ বিৰুদ্ধে অপাৰেছেন চাৰ্চ লাইট নামৰ সামৰিক অভিযান আৰম্ভ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বাংলা সামৰিক, অৰ্ধসামৰিক আৰু অসামৰিক লোকে গঠন কৰা মুক্তি বাহিনীয়ে যুদ্ধত জঁপিয়াই পৰে। আনহাতে আবামী লীগৰ নেতা শ্বেইখ মুজিবুৰ ৰহমানে ১৯৭১ চনৰ ২৬ মাৰ্চত পূব পাকিস্তানক স্বাধীন দেশ হিচাপে ঘোষণা কৰে। বেছিভাগ বাংলাভাষী লোকেই তেওঁক সমৰ্থন জনায়। ইপিনে পাকিস্তানৰ সৈতে সংঘাতপূৰ্ণ সম্পৰ্কৰ লগতে ভাৰতলৈ শৰণাৰ্থীৰ আগমনকে ধৰি বিভিন্ন কাৰণত সেই সময়ৰ ইন্দিৰা গান্ধীৰ নেতৃত্বৰ চৰকাৰে পূব পাকিস্তানৰ মুক্তি বাহিনীক সহায় কৰাৰ সিদ্ধান্ত লৈছিল। অৱশেষত পূব পাকিস্তানৰ সামৰিক বাহিনীয়ে আত্মসমৰ্পণ কৰিছিল আৰু বাংলাদেশে স্বাধীন দেশ হিচাপে আত্মপ্ৰকাশ কৰিছিল।

বাংলাদেশত শেহতীয়াকৈ হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছিল দেশখনত প্ৰচলিত সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ বাবে ছাত্ৰ সমাজে কৰা প্ৰতিবাদৰ পৰা। বাংলাদেশৰ সংৰক্ষণ ব্যৱস্থা ভাৰতৰ দৰে জাতিৰ ভিত্তিত কৰা সংৰক্ষণ নহয়। দেশখনৰ প্ৰায় ৫৬ শতাংশ চৰকাৰী চাকৰি বিভিন্ন শ্ৰেণীৰ লোকৰ বাবে সংৰক্ষণ কৰা আছে। ইয়াৰে ৩০ শতাংশ ১৯৭১ চনৰ বাংলাদেশ মুক্তি যুদ্ধত অংশগ্ৰহণ কৰা মুক্তি যুঁজাৰুৰ পৰিয়ালৰ বাবে সংৰক্ষিত। মুক্তি যুঁজাৰুৰ বাবে চৰকাৰী চাকৰিত সংৰক্ষণৰ ব্যৱস্থা ১৯৭২ চনতেই আৰম্ভ হৈছিল। ১৯৯৭ চনত এই সংৰক্ষণ মুক্তি যুঁজাৰুৰ সন্তানসকলেও লাভ কৰিব বুলি সিদ্ধান্ত লোৱা হয়। পৰৱৰ্তী সময়ত ২০১০ চনত মুক্তি যুঁজাৰুৰ নাতি-পুতিৰ বাবে সংৰক্ষণৰ ব্যৱস্থা বাহাল থাকিব বুলি সিদ্ধান্ত লোৱা হয়। ইয়াৰ বাহিৰেও দেশখনত

চৰকাৰী চাকৰিৰ ক্ষেত্ৰত ১০ শতাংশ মহিলাৰ বাবে, ১০ শতাংশ পিছপৰা জিলাৰ লোকৰ বাবে, ৫ শতাংশ সংখ্যালঘু জনগোষ্ঠীৰ বাবে আৰু ১ শতাংশ বিশেষভাৱে সক্ষম লোকসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা আছে।

এই সংৰক্ষণ ব্যৱস্থাৰ বিৰুদ্ধে দেশখনত বিভিন্ন সময়ত প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছে। দেশখনৰ সংবিধানৰ তৃতীয় অধ্যায়ৰ ২৯(১) অনুচ্ছেদত নিযুক্তিৰ ক্ষেত্ৰত সকলো নাগৰিকে সমানে সুযোগ লাভ কৰিব বুলি উল্লেখ আছে। এই সংৰক্ষণ ব্যৱস্থা বিশেষকৈ মুক্তি যুঁজাৰুৰ পৰিয়ালৰ বাবে থকা সংৰক্ষণ প্ৰত্যাহাৰৰ বাবে দেশখনত বিভিন্ন সময়ত ছাত্ৰ সমাজে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। এনে প্ৰতিবাদৰ বাবেই ২০১৮ চনত শ্বেইখ হাছিনা নেতৃত্বাধীন চৰকাৰে এখন জাননী যোগে প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিসমূহৰ ক্ষেত্ৰত সংৰক্ষণ ব্যৱস্থা আঁতৰাই দিছিল।

চলিত বৰ্ষৰ ৫ জুনত দেশখনৰ উচ্চ ন্যায়ালয়ে ১৯১৮ চনত চৰকাৰে সংৰক্ষণ ব্যৱস্থাৰ ক্ষেত্ৰত কৰা সংস্কাৰৰ বিৰোধিতা কৰি মুক্তি যুঁজাৰুৰ পৰিয়ালৰ বাবে সকলো চৰকাৰী চাকৰিতে সংৰক্ষণৰ দাবীৰে মুক্তি যুঁজাৰুৰ পৰিয়ালৰ কেইজনমান ছাত্ৰই দিয়া এখন আবেদন সংক্ৰান্তত ৰায়দান কৰে। উচ্চ ন্যায়ালয়ে ১৯১৮ চনৰ পূৰ্বৰ সংৰক্ষণ ব্যৱস্থা বাহাল ৰখাৰ কথা ঘোষণা কৰি চৰকাৰৰ জাননীখনক অবৈধ ঘোষণা কৰে। ফলস্বৰূপে সমগ্ৰ দেশতে ছাত্ৰ সমাজৰ উদ্যোগত প্ৰতিবাদী কাৰ্য্যসূচী আৰম্ভ হয়। প্ৰতিবাদকাৰীসকলে সংৰক্ষণ ব্যৱস্থাক অসাংবিধানিক বুলি অভিহিত কৰে। প্ৰতিবাদকাৰীসকলে সংৰক্ষণ ব্যৱস্থাত দুৰ্নীতি হোৱাৰ লগতে এই ব্যৱস্থাই শাসকীয় আবামী লীগকহে সহায় কৰিছে বুলিও অভিযোগ তোলে।

প্ৰথম অৱস্থাত এই প্ৰতিবাদ শান্তিপূৰ্ণ আছিল যদিও পৰৱৰ্তী সময়ত এই প্ৰতিবাদে হিংসাত্মক ৰূপ লয়। কম সময়তে এই আন্দোলন সমগ্ৰ দেশতে বিয়পি পৰে। উচ্চ ন্যায়ালয়ৰ ৰায়টো উচ্চতম ন্যায়ালয়ে স্থগিত ৰাখে যদিও প্ৰতিবাদ থমকি নৰ'ল। আনহাতে ১৪ জুলাইত শ্বেইখ হাছিনাই 'ৰাজাকাৰৰ পৰিয়ালে সংৰক্ষণ পাব লাগে নেকি' বুলি কৰা মন্তব্যই প্ৰতিবাদৰ জুইকুৰাত যেন ঘিউহে ঢালে। 'ৰাজাকাৰ' এটা পাৰ্চী শব্দ যাৰ অৰ্থ হ'ল 'স্বেচ্ছাসেৱক' বা 'সহায়ক'। ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি যুদ্ধৰ সময়ত ৰাজাকাৰ বাহিনী নামৰ এটা অৰ্ধ-সামৰিক বাহিনী আছিল, যিয়ে পশ্চিম পাকিস্তানৰ সেনাক সহায় কৰিছিল। পৰৱৰ্তী সময়ত প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকল ৰাজপথলৈ ওলাই আহিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে সকলো শিক্ষানুষ্ঠান বন্ধ কৰি দিয়ে। আৰক্ষী আৰু সুৰক্ষা বাহিনীক নিয়োগ কৰাৰ লগতে দেশজুৰি সান্ধ্য আইন বলবৎ কৰা হয়। সমগ্ৰ দেশখনত ইণ্টাৰনেট, ম'বাইল সংযোগ আৰু ছ'চিয়েল মিডিয়া বন্ধ কৰি দিয়া হয়। চৰকাৰে উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ বাবে অপেক্ষা কৰিবলৈ আহ্বান জনোৱা সত্বেও আন্দোলন বন্ধ হোৱা নাছিল। ইপিনে, আবামী লীগৰ ছাত্ৰ সংগঠন ছাত্ৰ লীগকে ধৰি অন্যান্য সংগঠনবোৰেও প্ৰতিবাদকাৰীসকলৰ বিপক্ষে জঁপিয়াই পৰাত পৰিস্থিতিয়ে ভয়াবহ ৰূপ লয়। শ্বেইখ হাছিনা নেতৃত্বাধীন আবামী লীগ চৰকাৰে এই প্ৰতিবাদী কাৰ্য্যসূচীত তেওঁৰ ৰাজনৈতিক বিৰোধীসকলেও সহযোগিতা আগ বঢ়োৱা বুলি মত প্ৰকাশ কৰে।

শ্বেখ হাছিনাই ১৯৯৬ চনৰ জুনৰ পৰা ২০০১ চনৰ জুলাইলৈ আৰু পৰৱৰ্তী সময়ত ২০০৯ চনৰ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ৫ আগষ্টলৈ বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেৱেঁই হৈছে সৰ্বাধিক সময়ৰ বাবে (২০ বছৰৰো অধিক) চৰকাৰৰ মুৰব্বী হৈ থকা বিশ্বৰ প্ৰথমগৰাকী মহিলা। তেওঁৰ কাৰ্য্যকালত দেশখনৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্ব আৰোপ কৰা হৈছিল। মুঠ ঘৰুৱা উৎপাদনো (GDP) বৃদ্ধি পাইছিল। অৱশ্যে ইয়াৰ জৰিয়তে সকলো নাগৰিকৰ অৰ্থনৈতিক কল্যাণ সাধন হোৱা নাছিল। তদুপৰি ক'ভিড মহামাৰীয়ে দেশখনৰ অৰ্থনৈতিক অৱস্থা বিপৰ্য্যস্ত কৰিছিল। অৰ্থনৈতিক বিকাশৰ গতি মন্থৰ হোৱাৰ লগে লগে দেশখনত মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আদি বৃদ্ধি পাইছিল।

তেনে অৱস্থাত উচ্চ ন্যায়ালয়ৰ ৰায়ে চাকৰি প্ৰত্যাশী ছাত্ৰ সমাজক আশাহত কৰিছিল। প্ৰতিবাদী ছাত্ৰসকলে প্ৰধানমন্ত্ৰী হাছিনাৰ পদত্যাগ, ছাত্ৰ লীগৰ ওপৰত নিষেধাজ্ঞা আৰোপ আদি বিভিন্ন দাবী উত্থাপন কৰিছিল। ইপিনে চৰকাৰে বিদ্ৰোহ দমনৰ নামত সাধাৰণ জনতাৰ ওপৰত হিংসা প্ৰয়োগ কৰাত এই ছাত্ৰ আন্দোলনে অসহযোগ আন্দোলনৰ ৰূপ লৈছিল। ২১ জুলাইত দেশখনৰ উচ্চতম ন্যায়ালয়ে অসামৰিক সেৱাৰ চাকৰিৰ ৯৩ শতাংশ মেধাৰ ভিত্তিত নিয়োগ কৰা হ'ব বুলি ৰায় দিছিল আৰু চৰকাৰে দুদিনৰ ভিতৰত এই ৰায়ৰ সমৰ্থনত জাননী জাৰি কৰিছিল। কিন্তু প্ৰতিবাদকাৰীসকলে প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা ক্ষমা প্ৰাৰ্থনাৰ দাবীকে ধৰি বিভিন্ন দাবীত প্ৰতিবাদ অব্যাহত ৰাখিছিল। দেশখনৰ হিংসাত্মক ঘটনাৱলীত বহু লোকৰ প্ৰাণহানি হোৱাৰ লগতে বহু লোক আহত হৈছিল।

সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ দাবীৰে আৰম্ভ হোৱা আন্দোলনটো শ্বেইখ হাছিনাৰ শাসনৰ পৰা মুক্তিৰ দাবীলৈ প্ৰসাৰিত হয়। শ্বেইখ হাছিনাৰ পদত্যাগৰ দাবীৰে প্ৰতিবাদীসকলে সৰ্বাত্মক অসহযোগ আন্দোলন গঢ়ি তোলে। সান্ধ্য আইনকো আওকাণ কৰি প্ৰতিবাদী জনতা ঢাকা অভিমুখে ৰাওনা হয়। এনে পৰিস্থিতিত শ্বেইখ হাছিনাই পদত্যাগ কৰি দেশৰ পৰা পলায়ন কৰে। দেশখনৰ নিয়ন্ত্ৰণ সেনাৰ হাতলৈ যায়। ইপিনে ছাত্ৰনেতাসকলে দেশখনৰ ৰাজনীতিত সেনাবাহিনী জড়িত হোৱাটো তেওঁলোকে বিচৰা নাই বুলিও স্পষ্ট কৰি দিয়ে। তেনে সময়তে দেশখনৰ সেনাপ্ৰধান জেনেৰেল ৱাকাৰ-উজ-জামানে দেশখনত ন্যায় প্ৰতিষ্ঠা কৰি প্ৰতিবাদকাৰীসকলৰ দাবীসমূহ পূৰণ কৰিব বুলি আশ্বাস দিয়ে।

শ্বেইখ হাছিনাৰ পদত্যাগৰ পাছত দেশখনৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে ছাত্ৰ আন্দোলনৰ নেতা আৰু সামৰিক বাহিনীকেইটাৰ মুৰব্বীসকলৰ সৈতে দেশখনৰ পৰিস্থিতি আৰু অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ বিষয়ে আলোচনা কৰে। ন'বেল বঁটা বিজয়ী অধ্যাপক মহম্মদ ইউনুছে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা হিচাপে শপত গ্ৰহণ কৰে। পৰবৰ্তী সময়ত তেওঁ দেশখনৰ বাবে এলানি সংস্কাৰ কাৰ্য্যসূচীও ঘোষণা কৰে। ইপিনে হাছিনা চৰকাৰৰ পতনৰ পাছত দেশখনত থকা হিন্দু সম্প্ৰদায়ৰ লোকসকলৰ ওপৰত আক্ৰমণৰ ঘটনা সংঘটিত হোৱাৰ কথাও সংবাদ মাধ্যমত প্ৰকাশ পাইছে। দেশখনৰ এই ৰাজনৈতিক পট পৰিবৰ্তনে ভাৰত-বাংলাদেশৰ সম্পৰ্ককো প্ৰভাৱিত কৰিব। শ্বেখ হাছিনাৰ চৰকাৰৰ সৈতে ভাৰতৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। দুয়োখন দেশে সন্ত্ৰাসবাদ বিৰোধী যুঁজৰ লগতে বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰে কাম কৰিছিল। দেশখনৰ ৰাজনৈতিক পৰিবৰ্তনে চীন আৰু পাকিস্তানৰ দৰে ভাৰতৰ বৈৰী দেশসমূহক বাংলাদেশত অধিক খোপনি পোতাত সহায় কৰিব বুলিও আশংকা কৰা হৈছে। তদুপৰি সীমান্তৱৰ্তী অঞ্চলসমূহত অনুপ্ৰবেশৰ আশংকা বৃদ্ধি পাইছে। বাংলাদেশৰ নতুন ৰাজনৈতিক পৰিস্থিতিয়ে দেশ দুখনৰ মাজৰ সম্পৰ্কক কি ৰূপ দিয়ে সেয়া সময়েহে ক'ব। ❖

## কুইজৰ উত্তৰসমূহ

১। ২৩ জুন ২। বিষ্ণু ৰাভা বঁটা ৩। জাপান ৪। মহম্মদ ইউনুছ । বাংলাদেশৰ অন্তৰ্বৰ্তী চৰকাৰৰ মুৰব্বী ৫। ৰিফিউজী অলিম্পিক দলক প্ৰতিনিধিত্ব কৰি তেওঁ প্ৰথমটো পদক অৰ্জন কৰিছিল ৬। আৰ্নেষ্ট হেমিংৱে ৭। গড়গাঁও ৮। ভাৰত - ইংলণ্ড ৯। কৰ্তব্য পথ ১০। ভাৰত ১১। অভিধান । দুয়োখন অভিধান টাই লিপিত লিখা ১২। পেৰালিম্পিক ১৩। শিক্ষক দিৱস । ব্যক্তিগৰাকী ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ ১৪। ৱাৰ এণ্ড পীচ । লিঅ' টলষ্টয়ৰ ১৫। মণিকা ছেলেছ ১৬। অৱনী লেখাৰা ❖

**■ দীপাংকৰ কৌশিক**

১। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস কোন তাৰিখে পালন কৰা হয়?

২। ধৰ্মেশ্বৰ নাথ আৰু দুৰ্লভ ভট্টাচাৰ্য্যই ২০২৪ বৰ্ষৰ কোনটো বিশেষ বঁটা লাভ কৰিছে?

৩। কোনখন দেশৰ ৰাষ্ট্ৰীয় সংসদৰ নাম ডায়েট ?

৪। গ্ৰামীণ বেংক প্ৰতিষ্ঠা কৰা এইগৰাকী শান্তিৰ ন'বেল বিজয়ী বৰ্তমান চৰ্চাত আছে। তেওঁৰ নাম কি?

৫। চিন্দি নাগাম্বাই এইবাৰৰ পেৰিছ অলিম্পিকত কিদৰে ইতিহাস সৃষ্টি কৰিছিল ?

৬। কোনগৰাকী বিখ্যাত সাহিত্যিকে লিখা একমাত্ৰ নাটকখন হৈছে - Fifth Column?

৭। অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ কোনখন ঠাইৰ পুৰণা নাম আছিল হেমেনাবাৰী?

৮। ২০২৬ চনত 'হোম অব ক্ৰিকেট' খ্যাত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত মহিলাৰ দুটা দলৰ মাজত প্ৰথমখন টেষ্ট মেচ অনুষ্ঠিত হ'ব। দল দুটা কি কি?

৯। নতুন দিল্লীৰ বিখ্যাত ৰাজপথৰ নতুন নামটো কি?

১০। জেৰেমি বুজাকোৰাস্কি (Jermey Bujakowski) ১৯৬৪ চনত অষ্ট্ৰিয়াত অনুষ্ঠিত শীতকালীন অলিম্পিকত কোনখন দেশক প্ৰতিনিধিত্ব কৰা প্ৰথমজন খেলুৱৈৰূপে পৰিগণিত হৈছিল?

১১। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ পৃষ্ঠপোষকতাত টেঙাই পণ্ডিতে বৰ অস্ত্ৰ আৰু ৰমাই মহন বৰুৱাই লতি অস্ত্ৰ বা ফুল অস্ত্ৰ ৰচনা কৰিছিল। এই অস্ত্ৰ মানে কি?

১২। spirit in motion - কিহৰ মূলমন্ত্ৰ?

১৩। আমাৰ দেশৰ ৰাজ্যসভাৰ প্ৰথমগৰাকী অধ্যক্ষৰ ওপজা দিনটো কি হিচাপে উদ্‌যাপন কৰোঁ?

১৪। এখন আলোচনীত 'দি ইয়েৰ অব ১৮০৫' নামেৰে প্ৰকাশ পোৱা গ্ৰন্থখনৰ নতুন তথা পৰিবৰ্তিত নামটো কি?

১৫। 'গেটিং এ গ্ৰিপ' কোনগৰাকী প্ৰসিদ্ধ টেনিছ তাৰকাৰ আত্মজীৱনী?

**চিত্ৰ সংকেত**

১৬। দুখন পেৰালিম্পিকত একেৰাহে দুটা স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস সৃষ্টি কৰা এইগৰাকী ভাৰতীয় কোন? ❖



## তোমালোকৰ বাবে প্ৰশ্ন, অক্টʼবৰ, ২০২৪

১। 'শাৰদী কোমল জোনাক মায়াৰে'—মুনমী বৰাৰ কণ্ঠৰ এটা জনপ্ৰিয় অসমীয়া গীত। এই গীতটোৰ কথা আৰু সুৰ কাৰ?

২। অনুৰা কুমাৰা দিশানায়কে—কোনখন দেশৰ নতুন ৰাষ্ট্ৰপতি?

৩। বেদব্ৰত ভৰালী—এইগৰাকী অসম সন্তানে অলপতে কমনৱেল্‌থ চেম্পিয়নশ্বিপত কোনবিধ খেলত দুটা স্বৰ্ণ আৰু এটা ব্ৰঞ্জৰ পদক জয় কৰিছে?

৪। 'আইৰন গাৰ্লছ'—এইখন অসমীয়া চলচ্চিত্ৰত অসমৰ কোন দুবিধ লোককৃষ্টিৰ বিষয়ে আলোকপাত কৰা হৈছে?


৫। আলফ্ৰেড গ্ৰছে উদ্ভাৱন কৰা কোনবিধ সামগ্ৰীৰ নামটো ১৯৫৯ চনত মট'ৰোলা কোম্পানীয়ে আনুষ্ঠানিকভাৱে পঞ্জীয়ন কৰিছিল? ❖

নিবন্ধ

# ঈগলু

■ বনানী ডেকা

ঈগলু হৈছে বৰফৰ ঘৰ। বৰফৰ ঠাইৰ মানুহৰ বাবে ঈগলু এক আশ্ৰয়। ঈগলু তৈয়াৰ কৰিবৰ বাবে তুষাৰপাতৰ পৰা পোৱা বৰফ ব্যৱহাৰ কৰা হয়।



বৰফেৰে আবৃত ঠাইবোৰৰ উষ্ণতা কম হ'লেও ঈগলুৰ ভিতৰৰ তাপমাত্ৰা -৭° চেলছিয়াছৰ পৰা -১৬° চেলছিয়াছৰ ভিতৰত নিয়ন্ত্ৰিত হৈ থাকে।

ঈগলুবোৰ সম্পূৰ্ণ গোলাকাৰ নহয়। ঈগলুবোৰ অধিবৃত্ত (parabola) আকাৰৰ হয়। ঈগলু নিৰ্মাণ কৰিবৰ বাবে বৰফৰ পৰা ইটাৰ দৰে আকৃতিৰ টুকুৰা কাটি উলিওৱা হয়। বৰফবোৰ কাটিবলৈ কুঠাৰ, ব্লেড আদি ব্যৱহাৰ কৰা হয়। ঈগলু তৈয়াৰ কৰোঁতে প্ৰথমে চাৰিকোণীয়া ইটাবোৰ কাটি উলিওৱা হয়। ঈগলুৰ বেৰৰ গাঁথনি কৰোঁতে প্ৰথমে চাৰিকোণীয়া ইটা ব্যৱহাৰ কৰা হয়। পাছলৈ পাঁচকোণীয়া আৰু ছয়কোণীয়া আকৃতিৰ বৰফৰ ইটা  তৈয়াৰ কৰি ব্যৱহাৰ কৰা হয়। ইয়াৰ ফলত ইটাবোৰৰ মাজৰ গাঁথনি অধিক মজবুত হয়।

ঈগলু সাজিবলৈ বতাহে উৰুৱাই অনা তুষাৰ (snow) বেছি উপযোগী। যিবোৰ তুষাৰৰ দানা বতাহত উৰি গৈ লাহে লাহে জমা হৈ বৰফ হয়, তেনে বৰফৰ পৰা বৰফৰ ইটা গঠন কৰিলে বেছি মজবুত হয়। ইয়াৰ পৰা অস্বচ্ছ, কঠিন বৰফৰ ইটা পাব পাৰি। তুষাৰবোৰৰ মাজত যথেষ্ট বায়ু সোমাই থাকে। গতিকে তাক কাটি উলিওৱা বৰফৰ ইটাৰ মাজত শতকৰা প্ৰায় ৯০ ভাগ বায়ু সোমাই থাকে। ফলত ই তাপৰ কু-পৰিবাহী হিচাপে কাম কৰে। ঈগলু সাজোঁতে মাজে মাজে কিছুমান ঠাইত স্বচ্ছ বৰফৰ ইটাৰ টুকুৰাও দিয়া হয়। এনে কৰিলে ঈগলুৰ ভিতৰলৈ পোহৰ সোমোৱাত সুবিধা হয়।

ঈগলুৰ গঠন সম্পূৰ্ণ হোৱাৰ পাছত ইয়াৰ ভিতৰখন গৰম কৰি ৰাখিবলৈ জুইৰ শিখা জ্বলোৱা হয়। ইয়াৰ ফলত ভিতৰৰ কিছু বৰফ গ'লে, আকৌ ঠাণ্ডা হ'লে গোট মাৰে। এনে কৰিলে বেৰবোৰ অধিক মজবুত হয়।

ঈগলুৰ ভিতৰত কোমল বৰফ আৰু জীৱ-জন্তুৰ ছাল আদিৰে বিছনা সজা হয়।

শোৱা বিছনা অলপ ওপৰত ওখকৈ তৈয়াৰ কৰা হয়। এনে কৰাৰ ফলত ঈগলুৰ ওপৰ অংশত জমা হোৱা গৰম বায়ুৱে শৰীৰ গৰম কৰি ৰখাত সহায় কৰে।

ঈগলুৰ প্ৰবেশ দুৱাৰখন বৰফৰ ডাঙৰ টুকুৰা নাইবা জন্তুৰ ছালেৰে প্ৰস্তুত কৰা হয়। ঈগলুৰ এই প্ৰবেশ দুৱাৰখন ঘৰটোৰ সমান স্তৰত ৰখা নহয়। দুৱাৰখন কিছু তলৰ পৰা সজা হয়। এনে কৰাৰ ফলত ঈগলুৰ ওপৰ অংশত জমা হোৱা গৰম বায়ু সহজে ওলাই যাব নোৱাৰে।

ঈগলুৰ ভিতৰত থকা ব্যক্তিৰ শৰীৰৰ পৰা নিৰ্গত হোৱা তাপে ঈগলুৰ ভিতৰৰ অংশ গৰম কৰি ৰাখে, ঠাণ্ডা বায়ু তলত জমা হয় আৰু গৰম বায়ু ওপৰত থকা খিৰিকীসদৃশ ছিদ্ৰৰে লাহে লাহে ওলাই যায়। ফলত বাহিৰৰ পৰা লাহে লাহে বায়ু প্ৰবেশ কৰি অক্সিজেনৰ যোগান ধৰি থাকে।

ঈগলু সাজোঁতে বৰফৰ ইটাৰ প্ৰথম তৰপটো গঠন কৰোঁতে কিছু এঢলীয়া কৰি গঁথা হয়। এনে কৰাৰ ফলত লাহে লাহে উলম্বভাৱে সৰ্পিল ভংগিমাত বেৰবোৰ সাজি গম্বুজৰ দৰে আকৃতিটো দিব পৰা যায়।

এজন পাকৈত ব্যক্তিয়ে প্ৰায় ৩ৰ পৰা ৪ ঘণ্টা সময়ৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব পাৰে।

ঈগলু সাজোঁতে যদি শুদ্ধ পদ্ধতি ব্যৱহাৰ কৰা হয়, তেন্তে ই যথেষ্ট মজবুত হয়। এজন প্ৰাপ্তবয়স্ক ব্যক্তি ঈগলুৰ একেবাৰে ওপৰৰ অংশত থিয় হ'লেও ই ভাগি নপৰে। ❖

# আনে কি ভাবে তোমাক কিয় লাগে?

■ কবিতা পাটগিৰি



'আনে কি ভাবে তোমাক কিয় লাগে'?—এই বাক্যটি হৈছে এখন গ্ৰন্থৰ এটি শিৰোনাম। গ্ৰন্থখন পঢ়িবৰ বাবে শিৰোনামটোৱেই আকৰ্ষণ কৰিছিল। কিশোৰৰ পৰা আৰম্ভ কৰি সকলো বয়সৰ মানুহে এই গ্ৰন্থখন পঢ়িব পৰা এখন সুখপাঠ্য গ্ৰন্থ। নিজা চিন্তা-চৰ্চা, ধ্যান-ধাৰণা বা সৃষ্টিশীল মননেৰে নিজক গঢ়িব বিচৰা যিকোনো কিশোৰেই এই গ্ৰন্থখন মন দি পঢ়া উচিত। প্ৰখ্যাত বিজ্ঞানী ৰিচাৰ্ড ফিলিপছ ফাইনমেনৰ এইখন এখন আত্মজীৱনীমূলক গ্ৰন্থ। গ্ৰন্থখনৰ বিষয়ে শুনা প্ৰায়ভাগ মানুহৰে ধাৰণা যে এই কথাষাৰ ফাইনমেনে কৈছিল। "ৰিচাৰ্ড ফাইনমেনৰ বিচিত্ৰ জীৱন-কথা তেওঁৰ দুখন আত্মজীৱনীমূলক গ্ৰন্থত বৰ্ণিত হৈছে। 'Surely You Are Joking Mr. Feynman' আৰু 'What Do You Care What Other People Think' নামৰ এই গ্ৰন্থ দুখন প্ৰথম পুৰুষত লিখা হ'লেও ফাইনমেনে নিজে কিন্তু গ্ৰন্থ দুখন লিখা নাই। তেওঁৰ সৈতে একেলগে সাত বছৰ ড্ৰাম বজোৱা সংগী তথা বন্ধু ৰাল্‌ফ লেইটনেহে তেওঁৰ পৰা মাজে-সময়ে সংগ্ৰহ কৰা তেওঁৰ জীৱন-কথা দুখনত সন্নিৱিষ্ট কৰিছে।" অতি জনপ্ৰিয় এই দুখন গ্ৰন্থৰ পৰা কেৱল কেইখনমান ৰচনা বাছনি কৰি তাৰে অসমীয়া অনুবাদ পাঠক সমাজলৈ আগ বঢ়াইছে গ্ৰন্থখনৰ অনুবাদক বিনয় মোহন শইকীয়াই। অনুবাদক বিনয় মোহন শইকীয়াই উক্ত কথাখিনি গ্ৰন্থৰ আগকথাতে উল্লেখ কৰিছে।

ফাইনমেনৰ বিচিত্ৰ জীৱনৰ সৰু-বৰ কথাবোৰ বৰ লেখকে সহজ-সৰল ভাষাৰে মনোগ্ৰাহীকৈ ২২টা অধ্যায়ত বৰ্ণনা কৰিছে। প্ৰতিটো অধ্যায়ৰ একোটাকৈ শিৰোনাম দিছে। অধ্যায়বোৰৰ শিৰোনামটো পঢ়িলেই মূল বৰ্ণনাখিনি পঢ়িবলৈ মন যায়। আত্মজীৱনীমূলক লেখা ইমান যে ৰসাল হ'ব পাৰে, সেই কথা গ্ৰন্থখন পঢ়া প্ৰতিগৰাকী পঢুৱৈৰ অনুভৱ হ'ব। প্ৰতিটো অধ্যায়ৰে বিষয়বস্তুৰ ভিন্নতা আছে। প্ৰতিটো অধ্যায়ত বৰ্ণিত কথাবোৰে ফাইনমেনৰ জীৱনৰ নানা কথাৰ সম্ভেদ দিছে। কেইটামান অধ্যায়ৰ কথাবোৰ পঢ়ি যাওঁতে চকুৰ সন্মুখত মৰমলগা তথা নানা দুষ্টামিৰে ভৰা আচৰণৰ এটি কিশোৰক লগ পাব পাৰি। অনুসন্ধিৎসু মনৰ সেই কিশোৰৰ জনাৰ প্ৰতি আৰু সদায় ন ন চিন্তাৰে কিবা এটা উদ্ভাৱন কৰাৰ তীব্ৰ হেঁপাহৰ উমান পাব পাৰি। হয়তো তেনে এক সুতীব্ৰ হেঁপাহৰ বাবে ফাইনমেনে কিশোৰ কালতে প্ৰায় এঘাৰ-বাৰ বছৰমান বয়সতে ঘৰতে এটা বিজ্ঞানাগাৰ সাজি লৈছিল। বিজ্ঞানাগাৰ বুলিলে সাধাৰণতে আমাৰ মনলৈ বৃহৎ কিবা এক ব্যৱস্থাৰ কথা মনলৈ নিশ্চয় আহে। কিন্তু, সেই কিশোৰজনৰ বিজ্ঞানাগাৰ কেনে আছিল সেই কথা তেওঁ নিজেই কৈছে—"মোৰ এঘাৰ-বাৰ বছৰমান বয়সত মই ঘৰতে এটা বিজ্ঞানাগাৰ সাজি লৈছিলোঁ। এটা কাঠৰ বাকছত কেইটামান থাক কৰি লৈ তাতে বিজ্ঞানাগাৰৰ সঁজুলিবোৰ ৰাখিছিলোঁ। সঁজুলি মানে এটা হিটাৰ, এটা বেটাৰী আৰু এটা লেম্প বেংক। লেম্প বেংকটো মই নিজে সাজি লৈছিলোঁ।"

সাধাৰণতে বিজ্ঞানী বুলি ক'লে আমাৰ মনলৈ পোনে পোনে এনেকুৱা ভাব আহে যে বিজ্ঞানীসকল চিন্তাশীল, দাৰ্শনিক, নিজ কৰ্মত একেৰাহে মগ্ন হৈ থকা স্বভাৱৰ বা অন্তৰ্মুখী চৰিত্ৰৰ। কিন্তু ফাইনমেন এই আটাইবোৰ স্বভাৱগত গুণৰ বিপৰীতে আছিল সৰুৰে পৰা অত্যন্ত ৰুচিবোধসম্পন্ন ব্যক্তি। সেই কথা তেওঁ

সৰুৰে পৰা ৰেডিঅ' শুনি ভাল পোৱা কথাটোৰ পৰাই বুজিব পাৰি। ৰাতি শুবৰ সময়ত কাণত এয়াৰফ'ন লগাই লৈও তেওঁ ৰেডিঅ' শুনিছিল। ৰেডিঅ' শুনাই নহয়, সেই কোমল বয়সতে তেওঁ ৰেডিঅ' বেয়া হ'লে ভাল কৰিবও জানিছিল। তেনেকৈয়ে ৰেডিঅ' ভাল কৰিব পাৰে বুলি তেওঁৰ নাম হোৱা বাবে সৰুকালতে এবাৰ এখন হোটেলৰ পৰা ৰেডিঅ' ভাল কৰিবলৈ আমন্ত্ৰণো পাইছিল।

ফাইনমেনে আন বহুতৰ দৰে অংক কৰিও ভাল পাইছিল। তেওঁ অংকবোৰ কিমান খৰকৈ কৰিব পাৰি তাৰ অনুশীলন কৰিছিল। এনেকৈয়ে তেওঁৰ খৰকৈ অংক কৰাৰ অভ্যাস হৈছিল আৰু সেয়া পাছলৈ বৰ কামত আহিছিল। তেওঁ নিজাকৈ গণিতৰ কিছুমান চিহ্নও আৱিষ্কাৰ কৰি লৈছিল। বিশেষকৈ ত্ৰিকোণমিতিৰ বহু চিহ্ন তেওঁ নিজৰ মতেই ব্যৱহাৰ কৰিছিল। তেওঁ যে অতি অনুসন্ধিৎসু মনৰ আছিল, সেই কথা তেওঁ ব্যক্ত কৰা কথাৰ পৰাই বুজিব পাৰি, "বস্তুটোনো আচলতে কি, সি কেনেকৈ কাম কৰে সেয়াই আছিল মোৰ কাৰণে মূল আকৰ্ষণৰ বিষয়; আচলতে সিও এক সাঁথৰ ভঙাৰ খেলেই আছিল।"

তেওঁ সোতৰ-ওঠৰ বছৰমান বয়সত হোটেল এখনত বিছ-বাইছ ডলাৰমান বেতনত কাম কৰিছিল। দৈনন্দিন জীৱনত তেওঁ কৌতূহলী মন আৰু উদ্ভাৱনী চিন্তাৰে নতুন নতুন বহু বস্তু আৱিষ্কাৰ কৰি ব্যৱহাৰ কৰাৰ যত্ন কৰিছিল। কিন্তু তেওঁ বিফলো হৈছিল। এই বিফলতাই তেওঁক দিয়া শিক্ষাৰ কথা তেওঁ এনেকৈ কৈছিল, "মই বুজি পালোঁ, এই বাস্তৱ পৃথিৱীখনত নতুন কিবা উদ্ভাৱন কৰাটো কিমান অসুবিধাজনক।"

ফাইনমেনৰ মাকৰ সৈতে এক গভীৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। কৈশোৰত হোৱা অনুভৱবোৰৰ কথা মাকৰ সৈতে মুকলিকৈ পাতিছিল। কৈশোৰ কালতে তেওঁ মাকৰ এগৰাকী বান্ধৱীৰ নাচৰ স্কুলত নাচ শিকাৰ প্ৰশিক্ষণ লৈছিল। পৰবৰ্তী সময়ত তেওঁ প্ৰথমবাৰ ব্ৰাজিললৈ যাওঁতে তাৰে জনপ্ৰিয় 'ছাম্বা' সংগীতৰ লগত পৰিচয় হোৱাৰ সুযোগ পাইছিল। বিজ্ঞানী ফাইনমেনৰ দৃষ্টিভংগী সৰুৰে পৰা স্পষ্ট আছিল। সেয়ে তেওঁ নিজে চিন্তা কৰা কথাটো কাৰ্য্যত সম্পন্ন কৰিবলৈ যিকোনো ধৰণৰ কষ্ট কৰিবলৈ সাজু থাকিছিল। 'আনে কি ভাবে তোমাক কিয় লাগে'?—এই শিৰোনামটোৰে গ্ৰন্থখনত এটা অধ্যায় আছে। অধ্যায়টোৰ কথাখিনি আন অধ্যায়ৰ দৰে আকৰ্ষণীয় হোৱাৰ মূলতে আছিল ফাইমেনৰ জীৱনত ঘটা এক বিশেষ ঘটনা। ফাইমেনৰ বান্ধৱীগৰাকী দুৰাৰোগ্য ৰোগত আক্ৰান্ত আছিল। দুবছৰ পাছত বান্ধবীগৰাকীৰ মৃত্যু হ'ব বুলি জানিও তেওঁক ফাইনমেনে বিয়া কৰাইছিল আৰু দুবছৰ পাছত তেওঁৰ মৃত্যুও ঘটিছিল। কিমান বেছি মনোবলৰ অধিকাৰী হ'লে এগৰাকী ব্যক্তিয়ে এনে এটা সিদ্ধান্ত ল'ব পাৰে, সেই কথা এই ঘটনাটোৰ পৰা বুজিব পাৰি।

আইনষ্টাইনৰ পাছতেই কুৰি শতিকাৰ যিজন বিজ্ঞানীৰ প্ৰতি অধিকসংখ্যক মানুহ আকৃষ্ট হৈছে সেইজনেই সম্ভৱতঃ ৰিচাৰ্ড ফিলিপছ ফাইনমেন। কোৱাণ্টাম বলবিদ্যালৈ আগ বঢ়োৱা অসামান্য অৱদানৰ বাবে তেওঁ পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল। এই প্ৰখ্যাত বিজ্ঞানীগৰাকীৰ গৱেষক জীৱনৰ বিপৰীতে সহজ-সৰলকৈ থাকি প্ৰতি মুহূৰ্ততে জীৱনক উপলব্ধি কৰা বিচিত্ৰ কথাবোৰ অনুবাদক বিনয় মোহন শইকীয়াই মূলৰ পৰা সুন্দৰকৈ ভাবানুবাদ কৰিছে। এই গ্ৰন্থখন পঢ়া পঢ়ুৱৈসকলে নিঃসন্দেহে অন্য এগৰাকী ফাইনমেনক আৱিষ্কাৰ কৰিব পাৰিব। ❖

## চুড'কৰ শুদ্ধ উত্তৰ দিওঁতাসকল, ছেপ্টেম্বৰ, ২০২৪


অভিলেখ পাঠক (ষষ্ঠ ক), দৃষ্টান্ত পাঠক (অষ্টম ক), কৌশিক দাস (অষ্টম ক), জাৰিফ শ্বাহাৰিয়া আলিম (অষ্টম ক), ধ্ৰুৱজিৎ কুমৰা দাস (অষ্টম ক), ময়ূৰী তালুকদাৰ (ষষ্ঠ ক), বৰ্ণিল বেদাৰ্ক কলিতা (ষষ্ঠ খ), কৌস্তভ নাথ (পঞ্চম খ), মৌচুমী বৰা (ষষ্ঠ ক), অনুষ্কা নাথ (চতুৰ্থ ঘ), মনিষ ভূঞা (অষ্টম খ), পল ভৰালী (ষষ্ঠ গ), তেজস্বীন মিশ্ৰ (ষষ্ঠ ক)। ❖

## মানসিক সামৰ্থ্য বিকাশ-১

■ ৰবীন্দ্ৰ বৰ্মন


তলৰ প্ৰতিটো প্ৰশ্নতে 5টাকৈ চিত্ৰ আছে। তাৰ ভিতৰত এটা চিত্ৰ বাকী 4টাৰ লগত অসদৃশ। এই অসদৃশ বা অমিল চিত্ৰটো বাছি উলিয়াব লাগে।

1.




(a) (b) (c) (d) (e)

2.




(a) (b) (c) (d) (e)

3.




(a) (b) (c) (d) (e)

4.



(a) (b) (c) (d) (e)

5.



(a) (b) (c) (d) (e)

**উত্তৰ** : 1. (c) 2. (e) 3. (a) 4. (e) 5. (c)

## মানসিক সামৰ্থ্য বিকাশ-২

1. এজন মানুহে তেওঁৰ ঘৰৰ পৰা উত্তৰ দিশলৈ 13 মি. খোজ কাঢ়িলে। তাৰ পাছত বাঁওফালে ঘূৰি 17 মি. গৈ আকৌ বাঁওফালে ঘূৰিলে আৰু 13 মি খোজ কাঢ়িলে। অৱশেষত আকৌ বাঁওফালে ঘূৰি 10 মি. খোজ কাঢ়িলে। এতিয়া তলৰ প্ৰশ্ন তিনিটাৰ উত্তৰ উলিওৱা।

   (i) আৰম্ভণিৰ স্থানৰ পৰা মানুহজন এতিয়া কিমান দূৰত আছে?

   (a) 7 মি. (b) 10 মি. (c) 13 মি. (d) 27 মি.

   (ii) তেওঁ ভ্ৰমণটোৰ শেষত কোনমুৱা হৈ আছিল?

   (a) উত্তৰ (b) দক্ষিণ (c) পূব (d) পশ্চিম

   (iii) তেওঁ ভ্ৰমণটোত মুঠতে কিমান দূৰত্ব অতিক্ৰম কৰিলে?

   (a) 23 মি. (b) 26 মি. (c) 33 মি. (d) 53 মি.

2. P, Q, R আৰু S চাৰিজন বন্ধু। তাৰে এজন ক্ৰিকেট খেলুৱৈ আৰু তেওঁ ৰসায়ন আৰু জীৱবিজ্ঞান অধ্যয়ন কৰে। P আৰু Qএ ফুটবল খেলে। দুয়োগৰাকী ফুটবল খেলুৱৈয়ে গণিত অধ্যয়ন কৰে। S এজন মুষ্টিযোদ্ধা। এগৰাকী ফুটবল খেলুৱৈয়ে পদাৰ্থবিদ্যাও অধ্যয়ন কৰে। মুষ্টিযোদ্ধাজনে গণিত আৰু হিন্দী অধ্যয়ন কৰে। প্ৰত্যেকজন বন্ধুৱে দুটাকৈ বিষয় অধ্যয়ন কৰে আৰু এটাকৈ খেল খেলে।

   (i) ক্ৰিকেট খেলুৱৈগৰাকী কোন?

   (a) P (b) Q (c) R (d) S

   (ii) কোনগৰাকীয়ে হিন্দী অধ্যয়ন কৰে আৰু ফুটবল খেলে?

   (a) P (b) Q (c) S (d) P বা Q

   (iii) চাৰিওগৰাকী বন্ধুৱে মিলি কিমানটা খেল খেলে?

   (a) 1 খেল আৰু 4টা বিষয় (b) 2 খেল আৰু 3টা বিষয়

   (c) 3 খেল আৰু 3টা বিষয় (d) ওপৰৰ এটাও নহয়

**উত্তৰসমূহ :**

1. (i) a (ii) c (iii) d
2. (i) c (ii) d (iii) d

# চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ২১২ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 2 | 6 | 7 | 3 | 8 | 9 | 1 | 4 |
| 7 | 4 | 8 | 2 | 9 | 1 | 5 | 3 | 6 |
| 3 | 1 | 9 | 5 | 4 | 6 | 7 | 2 | 8 |
| 8 | 3 | 5 | 4 | 1 | 2 | 6 | 9 | 7 |
| 4 | 9 | 1 | 3 | 6 | 7 | 8 | 5 | 2 |
| 6 | 7 | 2 | 8 | 5 | 9 | 3 | 4 | 1 |
| 9 | 8 | 4 | 6 | 2 | 3 | 1 | 7 | 5 |
| 2 | 6 | 3 | 1 | 7 | 5 | 4 | 8 | 9 |
| 1 | 5 | 7 | 9 | 8 | 4 | 2 | 6 | 3 |

## চুড’কু ২১৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 8 | | | | | | | |
| | 2 | | | | | 3 | 5 | |
| | | | 1 | | 6 | | | |
| | 9 | | | 3 | | | 8 | |
| 6 | | | | | | | | 7 |
| 1 | | | | | 8 | | | |
| | 3 | | | 5 | | | | |
| 7 | | | | | | | | |
| | | | | | | | | 6 |

### তোমালোকে জানানে?

## গ্ৰেট বেৰিয়াৰ ৰীফ—জোনবাইৰ পৰাও যি দৃশ্যমান

অষ্ট্ৰেলিয়াৰ কুইন্সলেণ্ড প্ৰদেশৰ পূব উপকূলৰ পৰা ৪০ কিল’মিটাৰ দূৰৈত উপকূলৰ সমান্তৰালকৈ থকা এক বিশাল প্ৰবাল প্ৰাচীৰৰ নাম গ্ৰেট বেৰিয়াৰ ৰীফ। দক্ষিণ প্ৰশান্ত মহাসাগৰৰ ক’ৰাল ছী (coral sea) অঞ্চলত গঢ়ি উঠা এই প্ৰবাল প্ৰাচীৰৰ দৈৰ্ঘ্য ২,০০০ কিল’মিটাৰ। এই প্ৰাচীৰৰ বয়স ১০,০০০ বছৰ বুলি ঠাৱৰ কৰা হৈছে।

প্ৰবাল এক প্ৰকাৰৰ ক্ষুদ্ৰ সামুদ্ৰিক কীট। একনলদেহী প্ৰাণীৰ অন্তৰ্গত প্ৰবালবোৰে থাকিবৰ বাবে এক ধৰণৰ খোলা সাজে। চূণশিলজাতীয় পদাৰ্থেৰে নিৰ্মিত এই খোলাৰ ভিতৰতে প্ৰবালবোৰ সোমাই থাকে। প্ৰবালবোৰ জাক পাতি থাকে। একো একোটা জাকত কেইবা কোটি পৰ্য্যন্ত প্ৰবাল থাকিব পাৰে। খোলাটো সজাৰ সময়ত বা সজা শেষ হ’লে ইটোৰ লগত সিটো খোলা যোগ হৈ এক বিশালাকাৰ ৰূপ লয়। এসময়ত যেতিয়া এই প্ৰবালবোৰৰ মৃত্যু হয় তেতিয়া ইহঁতৰ দেহটো নষ্ট হৈ গ’লেও খোলাটো নষ্ট নহয়। এইবোৰ জমা হৈ এটা সময়ত টান শিলৰ দৰে হৈ পৰে। পানীৰ তলত স্তৰীভূত হৈ জমা হোৱা প্ৰবাল খোলাৰ এনে বিশালকায় ‘চোতাল’ চৰৰ দৰে মাইলৰ পাছত মাইল জুৰি বিস্তৃত হৈ গ্ৰেট বেৰিয়াৰ ৰীফৰ ৰূপ পাইছে। প্ৰবাল কীটৰ দেহেৰে সৃষ্ট এই প্ৰাচীৰ মানুহে নিৰ্মাণ কৰা যিকোনো প্ৰাচীৰতকৈ ডাঙৰ। বিশাল আকাৰৰ এই গ্ৰেট বেৰিয়াৰ ৰীফ চন্দ্ৰৰ পৰাও দৃশ্যমান হয়। বছৰৰ কোনো কোনো সময়ত ধুমুহাত যেতিয়া সাগৰে ভয়ংকৰ ৰূপ ধাৰণ কৰে, তেতিয়া উপকূল আৰু প্ৰাচীৰৰ মধ্যৱৰ্তী অংশৰ জলৰাশি শান্ত হৈ থাকে। সেই সময়ত এই অঞ্চলেদি বিশাল জাহাজবোৰৰ উপৰি সৰু নাও আদি নিৰাপদে যাতায়াত কৰিব পাৰে। ১৯৮১ চনত ইয়াক ইউনেস্ক’ৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি প্ৰদান কৰিছিল। ❖

উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ ‘জ্ঞানাঞ্জন’।

# নৱনিৰ্মিত নালন্দা বিশ্ববিদ্যালয়

■ নিশা দেৱী



২০২৪ চনৰ ১৯ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নালন্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদটো উদ্বোধন কৰে। প্ৰায় ৪৮৫ একৰ মাটিত নিৰ্মাণ কৰা এই বিশ্ববিদ্যালয়ৰখন বিহাৰৰ ৰাজগীৰ পাহাৰভূমিত অৱস্থিত। ১৭খন সদস্য দেশৰ ইচ্ছা আৰু আগ্ৰহৰ ফলস্বৰূপে পূব-এছিয়া চূড়ান্ত বৈঠকত এই বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা নিশ্চিত কৰা হৈছিল। এই আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল ২০১০ চনত। ২০২৪ চনৰ ১৯ জুনত এই বিশ্ববিদ্যালয়ৰ নতুন চৌহদটো উদ্বোধন কৰা হৈছে। নালন্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদত বিভিন্ন বিষয়ৰ ছখন বিদ্যালয় আছে। সেইকেইখন হ'ল—বৌদ্ধ সম্পৰ্কীয় অধ্যয়ন, দৰ্শন আৰু তুলনামূলক ধৰ্মসমূহ অধ্যয়ন, ইতিহাস বিষয়ক অধ্যয়ন, বাস্তুশাস্ত্ৰ আৰু পৰিৱেশ বিষয়ক অধ্যয়ন, বহনক্ষম উন্নয়ন আৰু পৰিচালনা। নালন্দা বিশ্ববিদ্যালয়ৰ নতুন এই চৌহদটো ২৪টা বৃহৎ ভৱন আছে আৰু প্ৰায় ১,৭৪৯ কোটি টকা খৰচ কৰি এই নতুন চৌহদটো সাজি উলিওৱা হৈছে। বিশ্ববিদ্যালয়খনে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শিক্ষাৰ্থীৰ বাবে ১৩৭টা বৃত্তি মুকলি কৰি দিছে। ২০২২-২৪ আৰু ২০২৩-২৫ত স্নাতকোত্তৰ শ্ৰেণী আৰু পিএইচডিৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকল আহিছে পৃথিৱীৰ বিভিন্ন দেশৰ পৰা। তাৰে ভিতৰত কিছুমান দেশ হ'ল—আৰ্জেণ্টিনা, আমেৰিকা যুক্তৰাষ্ট্ৰ, নাইজেৰিয়া, থাইলেণ্ড, তুৰ্কী, শ্ৰীলংকা, নেপাল, মোজাম্বিক, উগাণ্ডা, ভিয়েটনাম ইত্যাদি। যি ১৭খন দেশৰ সহযোগত এই বিশ্ববিদ্যালয়খনক নৱৰূপ দিবলৈ প্ৰতিষ্ঠা কৰা হৈছে, সেই সহযোগী ৰাষ্ট্ৰকেইখন হ'ল—অষ্ট্ৰেলিয়া, বাংলাদেশ, ভূটান, ব্ৰুনেই, ডেৰুচালাম, কম্বোডিয়া, চীন, ইণ্ডোনেছিয়া, লাওছ, মৰিছাছ, ম্যানমাৰ, নিউজিলেণ্ড, পৰ্টুগাল, ছিংগাপুৰ, দক্ষিণ কোৰিয়া, শ্ৰীলংকা, থাইলেণ্ড আৰু ভিয়েটনাম। আনহাতে বিশ্ববিদ্যালয়খন জড়িত হৈ আছে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ স'তে। তাৰে কেইখনমান বিশ্ববিদ্যালয় হ'ল—পিকিং ইউনিভাৰ্ছিটি, ইউনিভাৰ্ছিটি অৱ অষ্ট্ৰাৱা, দংগুক ইউনিভাৰ্ছিটি, দিকিন ইউনিভাৰ্ছিটি, দা ছিটি ইউনিভাৰ্ছিটি অৱ নিউ ইয়ৰ্ক ইত্যাদি। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য অভয় কুমাৰ সিংহৰ মতে অতি কৌশলেৰে আৰু বিশেষ সাৱধানতা অৱলম্বন কৰি বিশ্ববিদ্যালয়খনৰ প্ৰাচীন গাঁথনিটোৰ লগত সংগতি ৰাখি নতুন চৌহদটো সাজি উলিওৱা হৈছে। প্ৰায় তিনি লাখতকৈও অধিক গ্ৰন্থ আৰু পাণ্ডুলিপিৰে সমৃদ্ধ এই বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো পৃথিৱীৰ বৃহত্তম পুথিভঁৰালবোৰৰ এটা বুলি চিহ্নিত হৈছে।

শিক্ষা আৰু সংস্কৃতিত ভাৰতবৰ্ষ অতীজৰ পৰাই আকৰ্ষণৰ কেন্দ্ৰবিন্দু হোৱাকৈ চহকী। এই ঐশ্বৰ্য্যৰ গুৰিতে আছিল তাহানিৰ ঐতিহ্যমণ্ডিত নালন্দা বিশ্ববিদ্যালয়। পাঁচ শতিকাৰ পৰা বাৰ শতিকালৈকে প্ৰায় ৮ শতিকা কাল জুৰি নালন্দাই পৃথিৱীৰ প্ৰতিখন দেশৰ পণ্ডিতসকলক আকৰ্ষিত কৰি আহিছিল। কোৱা হয় প্ৰাচীন নালন্দা প্ৰায় ২০০০ শিক্ষক আৰু ১০,০০০ শিক্ষাৰ্থীৰ শিক্ষাগৃহ আছিল। পুৰণি নালন্দাৰ এই ঐতিহ্য ৰক্ষা কৰিবলৈকে প্ৰয়াত ৰাষ্ট্ৰপতি ডং এপিজে আব্দুল কালামে নতুন নালন্দা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল। প্ৰায় ১৭খন দেশৰ সহযোগত বৰ্তমানৰ ভাৰত চৰকাৰে এই সপোন বাস্তৱায়িত কৰাৰ দিশত লাহে লাহে আগ বাঢ়িছে। ❖

# কাছৰ দীৰ্ঘায়ুৰ ৰহস্য

■ ৰাণু বুজৰবৰুৱা

আমি সকলোৱে শহা পহু আৰু কাছৰ দৌৰ প্ৰতিযোগিতাৰ সাধুটো জানো। য'ত বেগাই দৌৰা শহা পহুটোৰ পৰিবৰ্তে অতি ধীৰে ধীৰে গতি কৰা কাছটোহে বিজয়ী হৈছিল। আচৰিত কথাটো হ'ল দৌৰ প্ৰতিযোগিতাত বিজয়ী হোৱা কাছ জীৱন পৰিক্ৰমাৰ ক্ষেত্ৰতো অকল শহা পহুকেই নহয়, বাঘ, হৰিণা আদিৰ দৰে তীব্ৰ গতিৰ স্থলচৰ জীৱকো চেৰ পেলাইছে। হৰিণা সাধাৰণতে ১৫ৰ পৰা ২০ বছৰ জীয়াই থাকে। আকৌ বাঘৰ গড় আয়ুস হ'ল ১৭ বছৰ। আনহাতে শহা পহুৰ গড় আয়ুস হ'ল ১০ৰ পৰা ১২ বছৰ। কিন্তু বৰ্তমান দীৰ্ঘজীৱী স্থলজ প্ৰাণী, যাক 'জনাথন' নামেৰে নামকৰণ কৰা হৈছে, (বয়স ১৯০ বছৰ), সেইটো এটা ছেইচেলিছ (seychelles) প্ৰকৃতিৰ প্ৰকাণ্ড কাছ। কাছৰ দীৰ্ঘায়ু হোৱাৰ কাৰণ কি বাৰু?

কাছ দীৰ্ঘজীৱী হোৱাৰ এটাই মাত্ৰ কাৰণ নহয়। জীৱবিজ্ঞানীসকলে কাছৰ দীৰ্ঘায়ুৰ কেইবাটাও সম্ভাব্য কাৰণ আগ বঢ়াইছে। সেইবোৰৰ ভিতৰত এটা উল্লেখযোগ্য কাৰণ হ'ল জীৱ দেহত সংঘটিত হৈ থকা জৈৱিক ক্ৰিয়া বা বিপাকীয় ক্ৰিয়াসমূহ (metabalic activities)। এই জৈৱিক ক্ৰিয়াসমূহ সংঘটিত হওঁতে শৰীৰৰ শক্তি যথেষ্ট খৰচ হয়। অৰ্থাৎ যিবোৰ জীৱৰ দেহৰ সক্ৰিয়তা বেছি সেইবোৰ জীৱৰ দেহৰ শক্তি বেছিকৈ খৰচ হয়। আনহাতে যিবোৰ জীৱৰ দেহৰ সক্ৰিয়তা কম সেইবোৰ জীৱৰ দেহৰ শক্তি কমকৈ খৰচ হয়। অৰ্থাৎ ধীৰে ধীৰে জৈৱিক ক্ৰিয়া সংঘটিত হোৱা জীৱবোৰ বেছিদিনলৈ জীয়াই থাকে। পিগমি শ্ৰিউ (pygmy shrew) নামৰ প্ৰাণীটোৰ হৃদস্পন্দনৰ হাৰ প্ৰতি মিনিটত ১২০০ বাৰ। ই মাত্ৰ কেইমাহমানহে জীয়াই থাকে। মানুহৰ হৃদপিণ্ড ৬০-১০০ বাৰ প্ৰতি মিনিটত স্পন্দিত হয়। কিন্তু ডাঙৰ কাছবোৰৰ হৃদস্পন্দনৰ হাৰ প্ৰতি মিনিটত মাত্ৰ ২৫ বাৰ। আকৌ শ্বাস-প্ৰশ্বাসৰ হাৰ প্ৰতি মিনিটত মাত্ৰ ৪ বাৰ। আনহাতে মানুহৰ শ্বাস-প্ৰশ্বাসৰ হাৰ প্ৰতি মিনিটত ১২ৰ পৰা ২০ বাৰ।

দেহত জৈৱিক ক্ৰিয়াসমূহ সংঘটিত হ'বলৈ প্ৰয়োজন হোৱা শক্তিৰ উৎপাদন প্ৰক্ৰিয়াত যিবোৰ মুক্ত আয়ন (free radicals) উৎপন্ন হয়, সেইবোৰে শৰীৰৰ প্ৰ'টিন আৰু ডিএনএৰ অনিষ্ট সাধন কৰে। তাৰ ফলত শৰীৰৰ কোষবোৰ সোনকালে নষ্ট হয়। তেতিয়া সেই জীৱৰ জীৱনকাল চুটি হয়।

সাধাৰণতে উষ্ণৰক্তী প্ৰাণীতকৈ শীতলৰক্তী প্ৰাণীৰ আয়ুস বেছি বুলি ধাৰণা কৰা হয়। কাৰণ শীতলৰক্তী প্ৰাণীৰ দেহৰ সক্ৰিয়তা চাৰিওফালৰ পৰিবেশৰ উচ্চতাৰ ওপৰত নিৰ্ভৰ কৰে। কাছ এবিধ শীতলৰক্তী প্ৰাণী। কিন্তু বিভিন্ন প্ৰাণীৰ জীৱনকাল অধ্যয়ন কৰি গম পোৱা গৈছে যে শীতলৰক্তী প্ৰাণীৰ জীৱনকাল সকলো সময়তে দীঘলীয়া নহয়। ই প্ৰাণীভেদে ভিন ভিন হয়।


কাছৰ দীৰ্ঘায়ুৰ কাৰণবোৰৰ ভিতৰত আন এটা কাৰণ হ'ল, ইয়াৰ দেহক আৱৰি থকা কঠিন চলংখন। এইখন থকা বাবে কাছক আন চিকাৰী প্ৰাণীয়ে আক্ৰমণ কৰিব নোৱাৰে। আচৰিত কথাটো হ'ল, চলংখন অতি কঠিন যদিও ই স্পৰ্শ অনুভৱ কৰিব পাৰে। চলংখনত কামি হাড় আৰু স্নায়ুৰে গঠিত এটা আধাৰ বা ভূমি অংশ থাকে। ইয়াক কেৰাপেক (carapace) বোলে। ইয়াক আগুৰি থকা অংশটো কেৰাটিনেৰে গঠিত। এই চলংখন হ'ল কাছৰ সুৰক্ষা কৱচ। কিন্তু এইখন কিবা কাৰণত ভাঙিলে বা ফাটিলে কাছৰ শৰীৰত বেক্টেৰিয়া আদিৰ সংক্ৰমণ হ'ব পাৰে, যাৰ ফলত কাছ মৃত্যুমুখত পৰিব পাৰে।

ধীৰ গতিৰ জৈৱিক ক্ৰিয়া, শীতলৰক্তী প্ৰাণী অথবা কঠিন চলং, কাৰণ যিয়েই নহওক কিয় কাছই হ'ল আটাইতকৈ দীৰ্ঘজীৱী প্ৰাণী। ২০০৬ চনৰ ২২ জুন তাৰিখে মৃত্যু হোৱা কলিকতাৰ আলিপুৰ চিৰিয়াখানাত থকা অদ্বৈত (Adwaita) নামৰ কাছটোৰ বয়স প্ৰায় ২৫৫ বছৰ হৈছিল বুলি অনুমান কৰা হয়। ❖

# প্ৰাক্ বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অঁকা ছবি আৰু শিল্পকলা




অংকুৰ ক শাখা (বৰ্তমান প্ৰাক্-প্ৰাথমিক ক শাখা)




অংকুৰ খ শাখা (বৰ্তমান প্ৰাক্-প্ৰাথমিক খ শাখা)




অংকুৰ গ শাখা (বৰ্তমান প্ৰাক্-প্ৰাথমিক গ শাখা)




অংকুৰ ঘ শাখা (বৰ্তমান প্ৰাক্-প্ৰাথমিক ঘ শাখা)

# বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



চেইন্ট কিটছ আৰু নেভিছ



নিকাৰাগুৱা


বেলিজ



বটছ্'বানা



ইষ্ট টিমৰ



এৰিত্ৰিয়া


গুৱেটামালা


কিৰুবাছ্



লেছোথো


লিকটনস্টাইন


বছনিয়া আৰু হাৰ্জেগোভিনা



ছুৰিনাম